চামগুৰিত আকৌ মাৰপিটৰ ঘটনা

ই-সংবাদ, পুৰণিগুদাম, ২২ অক্টোবৰঃ নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি ৫ পৃষ্ঠাত চাওক



www.newsnextone.com

# e সংবাদ



Sacn to Donate
NEWSNEXTONE.COM



WEDNESDAY, OCTOBER 23, 2024 ■ বুধবাৰ, ৬ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮৯ Guwahati, Assam ।। মূল্যঃ এটকা


### ভাইটি-নয়নৰ নেতৃত্বত ছাগলীয়াত চলিয়েই আছে ছিণ্ডিকেট

# নিষেধাজ্ঞা নেওচি ৰাজ্যলৈ বংগৰ ব্ৰইলাৰ!

ই-সংবাদ, গোলকগঞ্জ, ২২ অক্টোবৰঃ **চুবুৰীয়া পশ্চিমবংগৰ পৰা এতিয়া বিনাদ্বিধাই প্ৰৱেশ কৰে শ-শ ব্ৰইলাৰ ভৰ্তি বাহন। পশ্চিমবংগ আৰু অসমৰ ছিণ্ডিকেট চক্ৰই দুই ৰাজ্যৰ সীমান্তৱৰ্তী ছাগলীয়া গেটেৰে অসমত প্ৰৱেশ কৰাইছে** শেষাংশ ৪ পৃষ্ঠাত



জনস্বাস্থ্যলৈ ভাবুকি! অসমলৈ সৰবৰাহ বংগৰ ব্ৰইলাৰ

## বিৰোধীয়ে আজি ঠিৰাং কৰিব বিহালীৰ প্ৰাৰ্থীৰ নাম

**গুৱাহাটী, ২২ অক্টোবৰঃ** বিহালী সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অসম সন্মিলিত মৰ্চাই কাইলৈ পুৰা ১০ বজাৰ পিছত প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰিব। হোটেল লিলিত আজি বিয়লি অনুষ্ঠিত বৈঠকৰ পিছত এক সংবাদমেলযোগে এই মন্তব্য শেষাংশ ৪ পৃষ্ঠাত

## জেপিচিৰ বৈঠকত তেজ ওলাল সাংসদৰ

**নতুন দিল্লী, ২২ অক্টোবৰঃ** ৱাকফ বিধেয়কক লৈ যুটীয়া সংসদীয় সমিতিৰ বৈঠকত সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ মাজতে আঘাতপ্ৰাপ্ত হ'ল



তৃণমূল কংগ্ৰেছৰ এগৰাকী সাংসদ। মঙলবাৰে ৱাকফ বিধেয়ক সন্দৰ্ভত যুটীয়া সংসদীয় সমিতিৰ বৈঠকত শাসক-বিৰোধীৰ মাজত সূত্ৰপাত ঘটা বাক-বিতণ্ডাৰ মাজতে ভঙা আইনাৰ বটলে আঘাত কৰে টিএমচিৰ সাংসদ কল্যাণ বেনাৰ্জীক। ইফালে, বৈঠকত শেষাংশ ৩ পৃষ্ঠাত

## শান্তি লাগে! ৰাছিয়াত মোদীৰ আকৌ আহ্বান

**মস্কো, ২২ অক্টোবৰঃ** ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ বাবে ৰাছিয়াত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সন্মুখত পুনৰ শেষাংশ ৩ পৃষ্ঠাত

## মনোনয়ন দাখিল ধ্ৰুৱৰ

**ই-সংবাদ, ২২ অক্টোবৰঃ** উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ধলাই সমষ্টিৰ কংগ্ৰেছৰ টিকট লাভ কৰা প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থই আজি মনোনয়ন দাখিল শেষাংশ ৭ পৃষ্ঠাত

## ভাতৃৰে মিলি পত্নীয়ে কাঢ়িলে স্বামীৰ জীৱন

### কোকৰাঝাৰত চাঞ্চল্য

**ই-সংবাদ, কোকৰাঝাৰ, ২২ অক্টোবৰঃ** কোকৰাঝাৰ জিলাৰ ভোটগাঁৱৰ ছটো ভদেয়াগুৰীত কালি নিশা আনুমানিক শেষাংশ ৬ পৃষ্ঠাত

### চৰকাৰী ভূমি কৰিলে দখল

## গুজৰাটত ধৰা পৰিল ভুৱা ন্যায়াধীশৰ ভুৱা আদালত



**ছুৰাট, ২২ অক্টোবৰঃ** আৰক্ষী কিম্বা প্ৰশাসনিক বিষয়া নহয়, এইবাৰ আৰক্ষীৰ জালত পৰিল এজন ভুৱা ন্যায়াধীশ। ন্যায়াধীশৰ পোছাক শেষাংশ ৩ পৃষ্ঠাত

### উজনিৰ ফ'ৰলেন!

## গাডকাৰীক সাক্ষাৎ হিমন্তৰ

**ই-সংবাদ, ২২ অক্টোবৰঃ** উজনি অসমৰ পথ-পৰিবহণ ব্যৱস্থাত পয়া লাগিছে। যোৰহাট-মাজুলী সংযোগী দল, যোৰহাট - ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কাম এতিয়া প্ৰহসনত পৰিণত হৈছে। যোৰহাট-মাজুলী সংযোগী শেষাংশ ৭ পৃষ্ঠাত


প্ৰতিনিধিৰ আৱশ্যক

'ই-সংবাদ'ৰ বাবে তেজপুৰ, লখিমপুৰ, ধেমাজি, ডিফু, ধুবুৰী, বঙাইগাঁও আৰু নলবাৰীৰ পৰা প্ৰতিনিধিৰ আৱশ্যক। নিম্নোক্ত নম্বৰত হোৱাটছএপ কৰিব পাৰে। নম্বৰঃ ৯৩৬৫২২৫২৪৮।


### 'নিয়া'ৰ বিশেষ আদালতৰ ৰায়দান, নাপালে পূৰ্ণ সকাহ

## ৰাষ্ট্ৰদ্ৰোহী, মাওবাদী নহয় বিধায়ক অখিল

**ই-সংবাদ, ২২ অক্টোবৰঃ** চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰি জাতীয় সমস্যাৰ হকে মাত মতা, প্ৰতিবাদ কৰা, শ্ল'গান দিয়া, গীত-কবিতা লিখা মানেই ৰাষ্ট্ৰদ্ৰোহ নেকি?







অখিল গগৈৰ গোচৰত দিয়া ৰায়ৰ পাছতে বহু লোকে বহু প্ৰশ্ন উত্থাপন কৰা দেখা গৈছে। 'নিয়া'ৰ আদালতত চলা অখিল গগৈ আৰু শেষাংশ ৬ পৃষ্ঠাত

## প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰে মিলি ৰাজ্যপালক কেবাদফীয়া স্মাৰকপত্ৰ প্ৰদান

# পথাৰৰ প্ৰতিবাদ এৰি ৰাজভৱন পালে ডিমা হাচাওৰ জনজাতীয় দল-সংগঠন



**ই-সংবাদ, ২২ অক্টোবৰঃ** আদানিৰ বিৰুদ্ধে এতিয়া জাগি উঠিছে সমগ্ৰ ডিমা হাচাও। জিলাখনৰ ৯ হাজাৰ বিঘা ভূমি যাতে কোনোকাৰণতে আদানি গোটক হস্তান্তৰ কৰিব নোৱাৰে তাৰ বাবে মাৰবান্ধি থিয় দিছে জিলাখনৰ একাধিক জনজাতীয় দল-সংগঠনসমূহে চৰকাৰৰ হঠকাৰী সিদ্ধান্ত কৰিবলৈ অনুমতি দিয়াৰ যি নিবিদা প্ৰক্ৰিয়া তাক লৈ প্ৰশ্ন উত্থাপন কৰি ভূপেন বৰাই কয় যে ১৮২৬ চনত ব্ৰিটিছ আৰু বাৰ্মিছৰ মাজত যি ইয়াণ্ডাবু সন্ধি হৈছিল তেনে প্ৰক্ৰিয়াৰ দৰে প্ৰক্ৰিয়া কৰিছে চৰকাৰে। মাটিৰ মালিক বেলেগ, মাটিত বহি আছে খিলঞ্জীয়া ভূমিপুত্ৰ কাৰ্বিসকল। মাটিৰ মালিকে গমেই নাপাই যে নিবিদাৰ তাৰিখ ঠিক হৈ গৈছে। মুখ্যমন্ত্ৰী হিমন্তৰ বিৰুদ্ধে নিজৰ অসন্তুষ্টি অধিক সজোৰে প্ৰকাশ কৰিবলৈ বাহৰ পাতিছেহি গুৱাহাটীত। ৰাজধানী মহানগৰীত বাহৰ পাতি থকাৰ অন্তত জনজাতীয় দল-সংগঠনসমূহৰ শীৰ্ষ নেতৃত্বই মঙলবাৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত ৰাজ্যপাল লক্ষ্মণ আচাৰ্যক সাক্ষাৎ কৰি আলোচনাত মিলিত হৈ জিলাখনৰ ৯ হাজাৰ বিঘা ভূমি আদানি গোটক হস্তান্তৰ নকৰিবলৈ দাবী জনায়। ডিমা হাচাও জিলাৰ কেইবাটাও জনজাতীয় সংগঠনৰ নেতৃত্বই আজি সন্ধিয়া অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, বিপুল গগৈ, প্ৰবীণ বড়ো, ৰাজেদ আলী চৌধুৰীসহ কেইবাগৰাকী কংগ্ৰেছ নেতাৰ উপস্থিতিত ৰাজ্যপালৰ সৈতে এক আলোচনাত মিলিত হয়। এই আলোচনাৰ অন্তত কংগ্ৰেছ দল আৰু ডিমা হাচাও জিলাৰ জনজাতীয় সংগঠনৰ নেতৃত্বই ৰাজ্যপালৰ হাতত জিলাখনৰ ৯ হাজাৰ বিঘা ভূমি আদানী গোটক হস্তান্তৰ নকৰিবলৈ দাবী জনাই কেইবাদফীয়া স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰযোগে বৰলিংচিংদাং, চেৰচৰাংছু, বৰলাং, চুইলাং, চিংকিলাংচু, হাইৰেলাংচ, চুলিকিংদং আদিকে ধৰি ৯খন গাঁৱৰ ৯ হাজাৰ বিঘা মাটি আদানি গোটক গটোৱাৰ সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনায়। উমৰাংচু, লাংমিক্লু আৰু চোটো লাৰফেং গাঁৱৰ পাহাৰৰ নিলাম বাতিল কৰা, নিউ উমৰাংচুৰ ৭০ হেক্টৰ ভূমি বাতিল কৰি উক্ত ভূমি উত্তৰ কাছাৰ জিলা স্বায়ত্ত শাসিত পৰিষদ আৰু বনাঞ্চল ভূমি হিচাপে ঘোষণা কৰাৰো দাবী জনায় দল-সংগঠনসমূহে। বিজেপিয়ে এনে সিদ্ধান্ত লৈ জনজাতীয় লোকৰ বিৰুদ্ধে থিয় দিছে আৰু বিজেপিয়ে কৰ্পোৰেট খণ্ডৰ সৈতে সম্পৰ্কিত প্ৰতিষ্ঠানবোৰৰ হৈ কাম কৰাৰ অভিযোগ আনে জনজাতীয় দল-সংগঠনৰ নেতৃত্বৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। চৰকাৰে খনন বিশ্ব শৰ্মাই বাৰে বাৰে জাতি-মাটি-ভেটিৰ কথা কয়। জাতি এতিয়া ভূমিহীন হ'বলৈ ওলাইছে। কাৰণ মুখ্যমন্ত্ৰীক মাটি লাগে। বৰাই লগতে কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে বিজেপিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা কৰ্পোৰেট গোটক লাভান্বিত কৰিবলৈ ডিমা হাচাও জিলাত প্ৰায় ৯০০০ বিঘা ভূমি আবণ্টন কৰাৰ পদক্ষেপ অসমৰ বাবে অন্যায়। ৰাজ্য চৰকাৰে ডিমা হাচাওৰ থলুৱাৰ উদ্বেগ আৰু অনুভূতিক অৱজ্ঞা কৰিছে। জিলাখনৰ স্থানীয় লোকসকলৰ ভূমি আৰু অধিকাৰ ৰক্ষা কৰি জীয়াই থকাৰ প্ৰশ্ন আহি পৰিছে। কংগ্ৰেছৰ সাংসদ আৰু বিধায়কসকলে ডিমা হাচাওৰ থলুৱাৰ অধিকাৰ ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। সংসদ আৰু বিধানসভা বিষয়টো শক্তিশালীভাৱে উত্থাপন কৰা হ'ব। বন বিভাগৰ অতিৰিক্ত মুখ্য সচিব এম কে যাদৱক আক্ৰমণ কৰি বৰাই যাদৱৰ বিৰুদ্ধে ডিমা হাচাওৰ খিলঞ্জীয়া লোকৰ আৱেগক অৱজ্ঞা কৰি কাম কৰি আছে বুলি অভিযোগ আনে। ১৯৭৬ চনৰ পৰা ডিমা হাচাও জিলাই বিভিন্ন প্ৰকল্পৰ বাবে বৃহৎ ভূমি ত্যাগ কৰিছে। ১৯৮৬ চনত নিপকো, অসম খনিজ উন্নয়ন নিগম কয়লা কুৱেৰী, ডালমিয়া চিমেণ্ট লিমিটেড, কপিলি টি ইষ্টেট, ক্ৰুংমিং ৰিজাৰ্ভ ফৰেষ্ট, নৰ্থ ইষ্ট চিমেণ্ট লিমিটেড আৰু উমৰাংচু চোম লিমিটেডক ভূমি হস্তান্তৰ কৰাৰ কথা উল্লেখ কৰি ভূপেন বৰাই কয় যে ইতিমধ্যে বহু পৰিয়ালৰ ক্ষতি হৈছে আৰু পৰিৱেশ প্ৰভাৱিত হৈছে। ডিমা হাচাওৰ ৰাইজে জিলা কৰ্তৃপক্ষ আৰু ৰাজ্য চৰকাৰক অসংখ্য স্মাৰকপত্ৰ দাখিল কৰিছে। বন বিভাগক গাওঁবোৰৰ বনাঞ্চলৰ জৰীপ কৰাত বাধা দিছিল। তথাপিও জনজাতীয় লোকক দাবীক গুৰুত্ব প্ৰদান কৰা হোৱা নাই। সেয়েহে আজি ৰাজ্যখনৰ সাংবিধানিক মুৰব্বী হিচাপে ৰাজ্যপালক এনে সিদ্ধান্তত হস্তক্ষেপ কৰিবলৈ আহ্বান জনাই সাক্ষাৎ কৰিছে জিলাখনৰ জনজাতীয় দল-সংগঠন আৰু কংগ্ৰেছে। কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱিত খনন প্ৰকল্প বন্ধ কৰিবলৈ তাৎক্ষণিক পদক্ষেপ ল'বলৈকো আহ্বান জনাই দল-সংগঠনসমূহে। অন্যথা খিলঞ্জীয়া লোকসকলক পৈতৃক ভূমিৰ পৰা স্থানান্তৰিত কৰিবলৈ দিয়া নহ'ব বুলি হুংকাৰ দিয়ে ৰাজ্যপালক সাক্ষাৎ কৰা দল-সংগঠনৰ প্ৰতিনিধিসকলে। ডিমা হাচাও জিলাৰ জনজাতীয় সংগঠনৰ নেতৃত্বই কয় যে বৰলিংচিংদাং, চেৰচৰাংছু, বৰলাং, চুইলাং, চিংকিলাংচু, হাইৰেলাংচ, চুলিকিংদং আদিকে ধৰি ৯খন গাঁৱৰ ৯ হাজাৰ বিঘা মাটি আদানিক গতাই দিব খোজা হৈছে। আমি এনে সিদ্ধান্তৰ বিৰোধ কৰিছো। জনজাতিৰ ভূমি হস্তান্তৰ নকৰিবলৈ আমি ৰাজ্যপালক দাবী জনাইছো। গাওঁবোৰৰ মাটি স্থানীয় সম্প্ৰদায়ৰ। সন্মতি অবিহনে খননৰ উদ্দেশ্যে নিলাম কৰা হৈছে। আমি অসম চৰকাৰৰ ভূ-বিজ্ঞান আৰু খনি সঞ্চালকালয়ৰ ৰাজহুৱা বিজ্ঞাপনৰ জৰিয়তেহে এই কথা অৱগত হৈছিলো বুলি কৈ আক্ষেপ কৰে ডিমা হাচাও জিলাৰ জনজাতীয় সংগঠনসমূহে। উল্লেখ্য যে, ডিমা হাচাও জিলাৰ থলুৱা কৃষকৰ ৯ হাজাৰ বিঘা ভূমি পুঁজিপতি আদানিক গটাবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত আছে। স্থানীয় থলুৱা লোকে নেৰানেপেৰা প্ৰতিবাদ অব্যাহত ৰাখিছে। দিনদিয়েক পূৰ্বে ডিমা হাচাও জিলাৰ উমৰাংছুৰ জনজাতীয় লোকক উচ্ছেদ কৰি ৯ হাজাৰ বিঘা ভূমি বণিক গোষ্ঠীক হস্তান্তৰৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে ভূপেন বৰাৰ নেতৃত্বত এটা প্ৰতিনিধি দলে জিলাখন ভ্ৰমণ কৰি প্ৰতিবাদ অব্যাহত লোকক সাক্ষাৎ কৰি কংগ্ৰেছে সহায় কৰাৰ আশ্বাস দিছিল। সেই আশ্বাস অনুসৰিয়েই আজি ৰাজ্যপালক সাক্ষাৎ কৰিবলৈ যোৱাৰ সময়ত জনজাতীয় দল-সংগঠনসমূহক সংগ দিয়ে প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বই। উল্লেখ্য যে, উমৰাংছুত বিগত দুটা দশকত ইটোৰ পিছত সিটো চিমেণ্ট উদ্যোগে স্থাপন কৰি পাৰিপাৰ্শ্বিকতা ধ্বংস কৰা হৈছে। চৰকাৰৰ এনে কাৰ্যৰ বিৰুদ্ধে এতিয়া জাগুৰ খাই উঠিছে সমগ্ৰ জিলাবাসী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুজৰাটত ধৰা পৰিল ভুৱা

পিন্ধি ভুৱা ক’ৰ্ট ৰুমত বিগত ৫ বছৰ ধৰি গোচৰৰ ৰায়দান কৰি অহা এজন ভুৱা ন্যায়াধীশক গ্ৰেপ্তাৰ কৰিছে গুজৰাট আৰক্ষীয়ে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, আহমেদাবাদৰ ভুৱা আদালত চৌহদত গোচৰৰ শুনানি গ্ৰহণ কৰি প্ৰৱঞ্চনাৰে কোটি কোটি টকা মূল্যৰ এশ একৰৰো অধিক ভূমি নিজে অধিগ্ৰহণ কৰিছিল এইজন ভুৱা ন্যায়াধীশে। আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰা লোকজনৰ নাম হৈছে মাৰিছ চেমুৰেল। লক্ষণীয় যে, নিজৰ কাৰ্যালয়টো সাইলাখ আদালত চৌহদৰ দৰে সজাই বিগত পাঁচ বছৰ ধৰি প্ৰৱঞ্চনাৰ জাল মেলি আহিছিল চেমুৰেলে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, আহমেদাবাদৰ দেৱানী আদালতত যিসকল লোকৰ ভূমি বিবাদৰ সৈতে জড়িত গোচৰ বিচাৰাধীন হৈ আছিল, সেই সকল লোকক টাৰ্গেট কৰি লৈ প্ৰৱঞ্চনাৰ জাল মেলিছিল ভুৱা ন্যায়াধীশজনে। তেনে লোকৰ পৰা গোচৰৰ নিষ্পত্তিৰ নামত মাচুল লৈ গান্ধীনগৰৰ ভুৱা ক’ৰ্ট ৰুমলৈ মাতি আনিছিল চেমুৰেলে। ভুৱা আদালত চৌহদত মাৰিছ চেমুৰেলৰ সহযোগীসকলে আদালতৰ কৰ্মচাৰী আৰু অধিবক্তাৰ ভাও লৈছিল, যাতে কোনেও সেৱা প্ৰকৃত আদালত নহয় বুলি সন্দেহ কৰিব নোৱাৰে। এই ভুৱা আদালততে ন্যায়াধীশ হিচাপে মাৰিছ চেমুৰেলে ১১টাকৈ গোচৰত নিজৰ পক্ষত ৰায় দি ১০০ একৰৰো অধিক ভূমি অধিগ্ৰহণ কৰা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ভুৱা ন্যায়াধীশৰ এনে প্ৰৱঞ্চনা পোহৰলৈ অহাৰ পিছতে আহমেদাবাদ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে অভিযুক্তজনক। লাভ কৰা তথ্য অনুসৰি আৰক্ষীয়ে আই পি চিৰ ১৭০, ৪১৯, ৪২০, ৪৬৫, ৪৬৭ আৰু ৪৭১ ধাৰাত অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। এই খবৰে এতিয়া সমগ্ৰ দেশতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেপিচিৰ বৈঠকত তেজ

অসংসদীয় ভাষা ব্যৱহাৰৰ অভিযোগত সাংসদ কল্যাণ বেনাৰ্জীক এদিনৰ বাবে সদনৰ পৰা নিলম্বন কৰা বুলিও জানিব পৰা গৈছে। জানিব পৰা মতে, বৈঠকৰ সময়ত বিজেপি বিধায়ক অভিজিৎ গংগোপাধ্যায়ৰ সৈতে হোৱা বাকবিতণ্ডাৰ মাজতে এটা আইনাৰ পানীৰ বটল জোৰেৰে টেবুলত পেলাই দিছিল টিএমচিৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে। ইয়াৰ ফলতে তেওঁ হাতত আঘাত পায়। বৈঠকত অন্তত এআইএমআইএমৰ সাংসদ আছাদুদ্দিন ওৱেইছিয়ে সাংসদগৰাকীক ধৰি বাহৰিলৈ লৈ অহা পৰিলক্ষিত হয়। সেই সময়ত তেওঁৰ কাষত উপস্থিত থাকে আপ সাংসদ সঞ্জয় সিঙৰ লগতে কেইবাজনো বিৰোধী সাংসদ। প্ৰসংগক্ৰমে তীব্ৰ বিৰোধিতা আৰু হুলস্থুলৰ মাজতে ৮ আগষ্টত লোকসভাত কেন্দ্ৰীয় সংখ্যালঘু মন্ত্ৰী কিৰেন ৰিজিজুৱে ৱাকফ সংশোধনী বিধেয়ক দাখিল কৰে। বিৰোধীয়ে একে সময়তে এই বিধেয়কখনক ‘অসাংবিধানিক আৰু মুছলমানৰ ধৰ্মীয় স্বাধীনতাত হস্তক্ষেপ কৰা’ বুলি অভিযোগ কৰি আপত্তি প্ৰকাশ কৰে। দীৰ্ঘদিনীয়া বিতৰ্কৰ অন্তত কেন্দ্ৰই বিধেয়কখন যুটীয়া সংসদীয় সমিতি (জেপিচি)লৈ সহমতৰ বাবে প্ৰেৰণ কৰাৰ সিদ্ধান্ত লয়। কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টি, আপ, এম আই এমকে ধৰি প্ৰায় সকলো বিৰোধী দলে কয় যে এই বিধেয়কখন সংবিধান বিৰোধী। এফালে এই বিধেয়কখনে মুছলমানসকলৰ ধৰ্মীয় স্বাধীনতা কাঢ়ি নিব আৰু ফেডাৰেল গাঁথনিতো আঘাত কৰিব। বিধেয়কখনৰ মতে, ভৱিষ্যতে কোনো সম্পত্তি ৱাকফ বুলি ঘোষণা কৰাৰ অধিকাৰ ৱাকফ ব’ৰ্ডৰ নাথাকিব। সেই ক্ষমতা জিলা দণ্ডাধীশক দিয়া হ’ব। বিৰোধীৰ অভিযোগ যে নতুন আইনত সকলো ক্ষমতা জিলা দণ্ডাধীশৰ হাতলৈ যাব। ফলত জিলা দণ্ডাধীশ ৱাকফ ব’ৰ্ডৰ অধ্যক্ষতকৈ অধিক শক্তিশালী হ’ব। পৰিণামস্বৰূপে ৱাকফ ব’ৰ্ডে নিজৰ গুৰুত্ব হেৰুৱাই পেলাব। এনে কাৰণতে এতিয়া বিষয়টো বিতৰ্কিত হৈ পৰা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শান্তি লাগে! ৰাছিয়াত মোদীৰ

দোহাৰিলে শান্তিৰ বাৰ্তা। ২৩ আৰু ২৪ অক্টোবৰত কাজানত অনুষ্ঠিত হ’বলগীয়া ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ বাবে মঙলবাৰে ৰাছিয়াত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ইয়াৰ পিছতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন আৰু মোদীৰ মাজত অনুষ্ঠিত হয় এখন দ্বিপাক্ষিক বৈঠক। বৈঠকৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ কথা উল্লেখ কৰে আৰু পুটিনৰ শান্তিৰ আহ্বান জনায়। ৰাছিয়াৰ উষ্ম আতিথ্যৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে ধন্যবাদ জ্ঞাপন কৰি কয়, "কাজান চহৰৰ সৈতে ভাৰতৰ ঐতিহাসিক সম্পৰ্ক আছে। ইয়াত ভাৰতে নতুন কনছুলেট মুকলি কৰিছে।" প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "যোৱা কেইমাহমানৰ ভিতৰত মই দ্বিতীয়বাৰৰ বাবে ৰাছিয়ালৈ আহিছো। চলিত বৰ্ষৰ জুলাই মাহত মস্কোত ৰাষ্ট্ৰপতি পুটিনক লগ পাইছিলো। এই সৌহাৰ্দ্যতাই দুয়োখন দেশৰ গভীৰ সম্পৰ্কক প্ৰতিফলিত কৰিছে। ভাৰত আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক আৰু অধিক গভীৰ হৈ পৰিছে।" ৰাছিয়া আৰু ইউক্ৰেণৰ মাজত অব্যাহত থকা যুদ্ধ সন্দৰ্ভত মোদীয়ে কয়, "ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধ সন্দৰ্ভত ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে মই অহৰহ যোগাযোগত আছো। ভাৰতে বিশ্বাস কৰে যে সংঘাতৰ সমাধান শান্তিপূৰ্ণ হ’ব লাগে। আমি মানৱ জাতিক মনত ৰাখি শান্তি আৰু স্থিতিশীলতাৰ বাবে চেষ্টা কৰোঁ। অনাগত সময়ত ইয়াৰ বাবে ভাৰতে যথাসম্ভৱ সহযোগ আগবঢ়াবলৈ সাজু আছে।” ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকৰ অন্তত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে কয়, "মোৰ মনত আছে যে আমি জুলাই মাহত লগ হৈছিলো। তেতিয়া বহু বিষয়ত বহুত ভাল আলোচনা হৈছিল। আজিও আমি বহু বিষয়ত আলোচনা কৰিলোঁ। আমি কেইবাবাৰো ফোন যোগেও কথা পাতিছো। ইয়াৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছো।” পুটিনে লগত কয়, "আন্তঃচৰকাৰী আয়োগৰ পৰৱৰ্তী বৈঠক অহা ১২ ডিচেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ’ব। আমাৰ যৌথ প্ৰকল্পৰ কাম দ্ৰুত গতিত চলি আছে। কাজানত ভাৰতীয় বাণিজ্যিক দূতাবাস মুকলি কৰাৰ সিদ্ধান্ত প্ৰধানমন্ত্ৰী মোদীয়ে লৈছে। আমি ইয়াক আদৰণি জনাইছো। ভাৰতৰ নীতিয়ে দুয়োখন দেশৰ অংশীদাৰিত্ব আৰু সম্পৰ্কক লাভান্বিত কৰিব। আপোনাক আৰু আপোনাৰ প্ৰতিনিধি দলটোক ৰাছিয়ালৈ আদৰণি জনাই আমি অতি আনন্দিত হৈছো।” উল্লেখ্য যে, আজি ৰাছিয়াত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীক উষ্ম আদৰণি জনায় প্ৰৱাসী ভাৰতীয়সকলেও। যোৱা চাৰি মাহৰ ভিতৰত দ্বিতীয়বাৰ ৰাছিয়া ভ্ৰমণ কৰা প্ৰধানমন্ত্ৰী মোদীক বিমান বন্দৰত আদৰণি জনায় ভাৰতীয় সাজ-পাৰ পৰিধান কৰা ৰাছিয়াৰ নৃত্যশিল্পীসকলে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্য অনুসৰি ব্ৰিকছ সন্মিলনত দুটা অধিৱেশন অনুষ্ঠিত হ’ব। বুধবাৰৰ পুৱাৰে পৰা আৰম্ভ হ’ব এই সন্মিলন। প্ৰথমতে নেতাসকলৰ মাজত ৰুদ্ধদ্বাৰ বৈঠক অনুষ্ঠিত হ’ব। ইয়াৰ পিছত সন্ধিয়া মুকলি পূৰ্ণাংগ সভা অনুষ্ঠিত হ’ব। এই সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীয়ে চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙৰ লগতে কেইবাখনো ৰাষ্ট্ৰৰ শীৰ্ষ নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। লক্ষণীয় যে, ৰাছিয়াত অনুষ্ঠিত এই বৈঠকত বৈদেশিক মন্ত্ৰী এছ জয়শংকৰেও এই সন্মিলনত অংশগ্ৰহণ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ’ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নিষেধাজ্ঞা নেওচি ৰাজ্যলৈ বংগৰ

ব্ৰইলাৰ ভৰ্তি বাহন। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা তথা বিজেপিৰ নেতা-কৰ্মীয়ে চিণ্ডিকেট বন্ধ কৰা বুলি দাবী কৰিলেও একাংশ ৰাজনৈতিকভাৱে প্ৰভাৱশালী লোকে ব্ৰইলাৰৰ ছিণ্ডিকেট মুক্তমনেৰে চলাই থাকি জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰাকৈ ব্ৰইলাৰ অসমলৈ সৰবৰাহ কৰি আহিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই ব্ৰইলাৰ কাটি বিক্ৰী কৰি থকা হৈছে। মানুহে কেঁচুৱা, কিশোৰৰ পৰা আৰম্ভ কৰি বৃদ্ধলৈকে ভাতৰ পাতত দি গৈছে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি থকা ব্ৰইলাৰৰ মাংস। হোটেলত সেই ব্ৰইলাৰ বিক্ৰী কৰি থকা হৈছে। বাৰ্ড-ফ্লুৰ কঢ়িয়াই অনাৰ আশংকা থকা ব্ৰইলাৰ ভৰ্তি বাহনসমূহ পশুপালন আৰু পশু চিকিৎসা বিভাগে পৰীক্ষা-নিৰীক্ষা নকৰাকৈ প্ৰৱেশ কৰিবলৈ দিয়াৰ অভিযোগ উঠিছে। যদি ব্ৰইলাৰৰ পৰা বাৰ্ডফ্লু দৰে এভিয়ান ইনফ্লুয়েঞ্জা ভাইৰাছ বিয়পি পৰে তেন্তে অসমত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। যাৰ বাবেই অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে বহিঃৰাজ্যৰ ব্ৰইলাৰ অসমত নিষিদ্ধ কৰি ৰাখিছে। ২০২৩ চনৰ মাৰ্চ মাহত বাৰ্ডফ্লুৰ আশংকা কৰি ৰাজ্য প্ৰশাসনে এই সিদ্ধান্ত লৈছিল। কিন্তু সিদ্ধান্ত এক প্ৰহসনত পৰিণত হৈছে। কিয়নো বাৰ্ডফ্লুৰ আশংকা কৰি অসমত নিষিদ্ধ কৰা ব্ৰইলাৰ নিতৌ পৰীক্ষা-নিৰীক্ষা অবিহনে হোৱাহোৱা প্ৰৱেশ কৰোৱা হৈছে চিণ্ডিকেট চক্ৰৰ দ্বাৰা। ব্ৰইলাৰ নমুনা সংগ্ৰহ কৰি পশুপাল বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰিব লাগে। পৰীক্ষাৰ অন্তত যদি জনস্বাস্থ্যৰ প্ৰতি হানিকাৰক নহয় বুলি প্ৰমাণিত হয় তেতিয়াহে ব্ৰইলাৰ অসমত প্ৰৱেশ কৰিবলৈ দিব লাগে। যদি জনস্বাস্থ্যৰ প্ৰতি হানিকাৰক হয় বুলি প্ৰমাণিত হয় তেন্তে তেনে ব্ৰইলাৰ অসমত প্ৰৱেশ কৰিব দিব নালাগে। কিন্তু জনস্বাস্থ্যৰ প্ৰতি হানিকাৰক বুলি অভিযোগ উত্থাপিত হোৱাত নিষিদ্ধ কৰা ব্ৰইলাৰ নিতৌ অসমত প্ৰৱেশ কৰাই থকা হৈছে। কেৱল ছাগলীয়াই নহয় শ্ৰীৰামপুৰ আৰু বক্সিৰহাটেৰেও অবৈধভাৱে চিণ্ডিকেট চক্ৰক ধন দি প্ৰৱেশ কৰেৱা হৈ ব্ৰইলাৰ ভৰ্তি বাহন। নিষিদ্ধতাৰ নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাই ব্ৰইলাৰৰ চিণ্ডিকেট চলাই গৈছে চিণ্ডিকেট চক্ৰই। ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ অসম-বংগ সীমান্তৱৰ্তী একাংশ লোকৰ অভিযোগ মৰ্মে বিগত বৰ্ষৰ মাৰ্চ মাহতে ৰাজ্য চৰকাৰে পশ্চিমবংগৰ ব্ৰইলাৰ অসমত নিষেধাজ্ঞা জাৰি কৰিছে যদিও এদিনো বন্ধ হোৱা নাই নিষিদ্ধ ব্ৰইলাৰৰ আমদানি। নিত্য নতুন ছিণ্ডিকেট বাহিনীৰ জৰিয়তে অদ্যপিও অব্যাহত আছে অসমলৈ ব্ৰইলাৰৰ আমদানি। সকলো জানি-শুনিও ধুবুৰী জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। বাৰ্ডফ্লুৰ ভাইৰাছ অসমত প্ৰৱেশ কৰাত বাধা দিবৰ বাবে পশু পালন বিভাগে বহিঃৰাজ্যৰ পক্ষীধন অসমত আমদানিত নিষেধাজ্ঞা জাৰি কৰা কাৰ্যক বুঢ়া আঙুলি দেখুৱাই অসমলৈ সৰবৰাহ কৰি থকা হৈছে ব্ৰইলাৰ। নিষেধাজ্ঞা জাৰি কৰাৰ পিছতো পাকে-প্ৰকাৰে চিণ্ডিকেট বাহিনীক পশুপালন বিভাগে সহযোগ কৰা বুলি সচেতন মহলে অভিযোগ উত্থাপন কৰিছে। সীমান্তৱৰ্তী ৰাইজৰ অভিযোগ মতে কিছুদিন পশ্চিমবংগৰ ব্ৰইলাৰৰ আমদানি সীমিত আছিল যদিও শেহতীয়াকৈ ব্যাপক হাৰত বৃদ্ধি পাইছে। নিশা হোৱাহোৱে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে অসমত প্ৰৱেশ কৰাইছে পশ্চিমবংগৰ নিষিদ্ধ ব্ৰইলাৰ ভৰ্তি বলেৰ পিকআপ ভান। ছাগলীয়া, হালাকুৰা আৰক্ষী চকী, আগমনি গোলকগঞ্জ থানাৰ সন্মুখেৰে পাৰ হৈ আছে যদিও দেখিও নেদেখাৰ ভাও ধৰে আৰক্ষীয়ে। ৰাষ্ট্ৰীয় ঘাইপথত টহলদাৰী আৰক্ষীৰ দলে কিবা কাৰণত কোনো লোকে যদিও ব্ৰইলাৰ ভৰ্তি ট্ৰাক ৰখাই তেন্তে দাবী-ধমকি দি গাড়ী পাৰ কৰাই নিয়াৰ অভিযোগ উত্থাপন হৈ আহিছে। নিজকে প্ৰভাৱশালী মন্ত্ৰীৰ মানুহ বুলি পৰিচয় দিয়া ভাইটি দেউৰী আৰু নয়ন তালুকদাৰৰ নেতৃত্বত মমিৰুদ্দিন, আনোৱাৰ আৰু বিশ্বজিত ডেকাই অসম-বংগ সীমান্তৰ ছাগলীয়াৰ পৰা ব্ৰইলাৰৰ চিণ্ডিকেট চলোৱাৰ অভিযোগ উত্থাপন হৈছে। প্ৰতিখন পিকআপ ভানে চিণ্ডিকেট বাহিনীক দিব লাগে ২৫ হাজাৰ টকা। চিণ্ডিকেট বাহিনীক ধন নিদিয়া বাহনক আৰক্ষীৰ হতুৱাই জব্দ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইপিনে চিণ্ডিকেট বাহিনীৰ বাবেই ৰাজ্যত বৃদ্ধি পাইছে ব্ৰইলাৰৰ মূল্য। অসম আৰক্ষী তথা দুয়ো ৰাজ্যৰ চৰকাৰে উচ্চ পৰ্যায়ৰ তদন্ত কৰিলেহে চিণ্ডিকেট চক্ৰৰ সৈতে জড়িতসকলক জালত পেলাব পাৰিব। অন্যথাই ধুবুৰী বা কোকৰাঝাৰ আৰক্ষীয়ে এই চক্ৰটোৰ বিৰুদ্ধে ব্যৱস্তা যে গ্ৰহণ কৰিব নোৱাৰে সেয়া নিশ্চিত। কিয়নো কোৱা বাহুল্য যে, এটা সূত্ৰই দাবী কৰা মতে, দিছপুৰৰ হাত আছে এই চিণ্ডিকেট চক্ৰটোত। সুস্থিৰ ব্যৱসায়ৰ স্বাৰ্থতেই ছিণ্ডিকেট চক্ৰটোৰ সম্পূৰ্ণৰূপে উৎখাতৰ দাবী জনাইছে স্থানীয় ব্ৰইলাৰ পালকসকলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিৰোধীয়ে আজি ঠিৰাং

মৰ্চাৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই। সংবাদমেলত ভূঞাই কয় যে, অসম সন্মিলিত মৰ্চাই বিহালী সমষ্টিৰ প্ৰাৰ্থীৰ বাবে কংগ্ৰেছৰ হাইকমাণ্ডৰ সিদ্ধান্তলৈ বাট চাইছে। মৰ্চাৰ শীৰ্ষ নেতৃত্বই নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অসমৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙৰ সৈতে বহুবাৰ কথা পাতিছে বুলিও জানিবলৈ দিয়ে। জিতেন্দ্ৰ সিঙেও সন্মিলিত মৰ্চাৰ সিদ্ধান্তৰ ওপৰতে গুৰুত্ব দিছে বুলিও ভূঞাই কয়। "আমি এতিয়ালৈকে বিহালী সমষ্টিক লৈ দুখনকৈ প্ৰতিবেদন দাখিল কৰিছো। সেই প্ৰতিবেদনৰ ভিত্তিতে বুধবাৰে পুৱা ১০বজাৰ আগত কংগ্ৰেছে নিজৰ চূড়ান্ত সিদ্ধান্ত অৱগত কৰিব। তাৰপিছতে বিহালী সমষ্টিৰ প্ৰাৰ্থীৰ নাম আমি ৰাজহুৱা কৰিম।"- সংবাদমেলত এইদৰে কয় ভূঞাই। বাহিৰত বহুত ধৰণৰ চৰ্চা চলি আছে যদিও বিজেপিক পৰাভূত কৰিবলৈ অসম সন্মিলিত মৰ্চাৰ দলসমূহে ২০২৬ পৰ্যন্ত ঐক্যবদ্ধভাৱে থাকিবলৈ দৃঢ় হৈ আছে বুলিও ভূঞাই সদৰী কৰে। সংবাদ মাধ্যমত বিভিন্ন ধৰণৰ চৰ্চা চলি থকাৰ পৰিপ্ৰেক্ষিততে আজি বৈঠকখন অনুষ্ঠিত কৰা হৈছে বুলিও জানিবলৈ দিয়ে ভূঞাই। তেওঁ কয় যে বৈঠকখনৰ জৰিয়তে বাহিৰৰ চৰ্চাসমূহে যাতে মৰ্চাৰ দলসমূহৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব নোৱাৰে সেয়ে বৈঠকখন জৰুৰীভাৱে আহ্বান কৰা হৈছিল। কংগ্ৰেছ দলৰ পৰা এই পৰ্যন্ত ইতিবাচক সহাঁৰি পাই আছে বুলিও ভূঞাই জানিবলৈ দিয়ে। আজিৰ এই সংবাদমেলত মৰ্চাৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈয়ো উপস্থিত আছিল। এতিয়া কাইলৈ কি সিদ্ধান্ত হয় তালৈ বাট চাই ৰৈছে সচেতন মহলে।

# বহিৰাগত যুৱকে পলুৱাই নিলে কিশোৰী

**ই-সংবাদ, আমগুৰি, ২২ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলিত এগৰাকী অসমীয়া যুৱতীক বিহাৰৰ এজন যুৱকে আক্ৰমণ কৰা ঘটনাৰ উত্তেজনা মাৰ নৌযাওঁতেই পুনৰ জিলাখনৰ গেলেকীৰ পৰা আন এজন বিহাৰৰ যুৱকে প্ৰলোভনেৰে এগৰাকী ১৪ বছৰীয়া অসমীয়া কিশোৰীক পলুৱাই লৈ যায়। উক্ত ঘটনাৰ খবৰ পোৱাৰ লগে লগে গেলেকী অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, গেলেকী চাৰিআলিৰ বাছ ষ্টেণ্ডৰ সন্মুখত থকা 'ভৰত হোটেল' নামৰ ব্যৱসায়ী প্ৰতিষ্ঠানখনত চনু শ্বাহ নামৰ বিহাৰী সম্প্ৰদায়ৰ যুৱক কৰ্মচাৰী হিচাপে আছিল। সেই চনু শ্বাহ নামৰ প্ৰায় ২২ বছৰীয়া যুৱকজনে গেলেকী চাৰি আলিৰ পৰা এগৰাকী পিতৃহাৰা ১৪ বছৰীয়া কিশোৰীক সন্ধিয়া পলুৱাই লৈ যায়। বিহাৰৰ সমষ্টিপুৰ জিলাৰ ৰাজঘাটৰ যুৱক চনু শ্বাহৰে কিছুদিন পূৰ্বে ভৰত চাহ হোটেলত যোগদান কৰিছিল যদিও হোটেলৰ স্বত্বাধিকাৰীজনে যুৱকজনৰ কোনো ধৰণৰ নথি-পত্ৰ জমা লোৱা নাছিল বুলি জানিব পৰা গৈছে। ইফালে একমাত্ৰ কন্যাক হেৰুৱাই হিয়া ঢাকুৰি কান্দিছে স্বামীহাৰা কিশোৰীগৰাকীৰ মাতৃ নাজিমা বেগম। ইতিমধ্যে, নাজিমা বেগমে গেলেকী আৰক্ষী থানাত ঘটনাৰ সন্দৰ্ভত এজাহাৰ দাখিল কৰা পাছতে আৰক্ষীয়ে তীব্ৰগতিত তদন্ত আৰম্ভ কৰিছে। স্থানীয় একাংশ সচেতন লোকে "ভৰত চাহ নামৰ হোটেল"ৰ স্বত্বাধিকাৰীক অনতি পলমে কিশোৰীগৰাকীক বিহাৰী যুৱক জনৰ কবলৰ পৰা উদ্ধাৰ কৰিবলৈ দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিত আকৌ মাৰপিটৰ ঘটনা

পুনৰ উত্তপ্ত হৈ পৰিছে। এটা সপ্তাহৰ ভিতৰতে চামগুৰিত বিজেপি আৰু কংগ্ৰেছ সমৰ্থকৰ তিনিটাকৈ মাৰপিটৰ ঘটনাই ৰাজনৈতিক বতাহ অধিক উত্তপ্ত কৰি তুলিছে। আজি বিয়লি ৰকিবুল হুছেইনৰ দুৰ্গ চামগুৰিত সংঘটিত বিজেপি আৰু কংগ্ৰেছ দলৰ কৰ্মী সমৰ্থকৰ ৰাজনৈতিক হিংসাত্মক ঘটনাই পুনৰ সংবাদ শিৰোনামা দখল কৰিছে। যোৱা ১৫ অক্টোবৰত উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ দিনাই চামগুৰিত প্ৰথমটো ৰাজনৈতিক হিংসাত্মক ঘটনাৰ সূত্ৰপাত ঘটিছিল। সাংসদ ৰকিবুল হুছেইনৰ নেতৃত্বত কংগ্ৰেছী সমৰ্থকে চামগুৰিৰ শিঙিমাৰীৰ পৰা গেৰুৱামুখ কুটাইনি গাঁৱলৈ উলিওৱা এক ৰেলীৰ সময়তে শিঙিমাৰীৰ বৰতলৰ ৰাজ্যিক ঘাইপথত বিজেপিৰ আৰু কংগ্ৰেছ দলৰ কৰ্মীৰ মাজত সংঘাত সৃষ্টি হৈছিল। দুয়োপক্ষৰ হতাহতিৰ ঘটনাত কেইবাজনো লোক আহত হোৱাৰ লগতে কেইবাখনো বাহনৰো ক্ষতি সাধন হৈছিল। ইয়াৰ পাছতে ১৭ অক্টোবৰৰ নিশাও মাগুৰমাৰীত কংগ্ৰেছ আৰু বিজেপি দলৰ কৰ্মী সমৰ্থকৰ মাজত দ্বিতীয়টো ৰাজনৈতিক সংঘাটৰ সৃষ্টি হৈছিল। এই আক্ৰমণ-প্ৰতি আক্ৰমণৰ ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নাযাঁওতেই আজি পুনৰ কংগ্ৰেছ আৰু বিজেপি দলৰ কৰ্মী সমৰ্থকৰ মাজত সংঘাটৰ সৃষ্টি হয়। চামগুৰিৰ উপ-নিৰ্বাচনৰ বাবে একেটা স্থানতে কংগ্ৰেছ আৰু বিজেপি দলে সভা অনুষ্ঠিত কৰাকলৈয়ে দুই পক্ষৰ মাজত সংঘাতৰ সৃষ্টি হয়। চামগুৰি থানাৰ অন্তৰ্গত বৰদলত ৰকিবুল হুছেইনৰ পুত্ৰ তানজিল হুছেইনৰ হৈ সাংসদ গৌৰৱ গগৈ উপস্থিত হোৱাৰ প্ৰাক মূহুৰ্ততে এই সংঘৰ্ষৰ সূত্ৰপাত ঘটে। সাংসদ গৌৰৱ গগৈয়ে কংগ্ৰেছৰ প্ৰাৰ্থী তানজিল হুছেইনক লগত লৈ চামগুৰিৰ হিন্দু বসতিপ্ৰধান সূতাৰ গাঁও পঞ্চায়তৰ পৰা মুঢ়ানি, শিঙিয়া, ভৰাগুৰি, পদুমণি হৈ মটৰ চাইকেল আৰু চাৰিচকীয়া সৰু বাহনেৰে বিশাল ৰেলী কৰি বৰদলৰ এক নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ কথা আছিল। ইপিনে, ভৰাগুৰিত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ উপস্থিতিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাইয়ো এক নিৰ্বাচনী প্ৰচাৰ সভাৰ আয়োজন কৰিছিল। দুই ফৈদৰ এই নিৰ্বাচনী সভা একে স্থানতে অনুষ্ঠিত হোৱাক লৈয়ে সংঘৰ্ষৰ সূত্ৰপাত ঘটে। স্পৰ্শকাতৰ সমষ্টি ৰূপে পৰিগণিত হোৱা চামগুৰিত পুনৰ ৰাজনৈতিক হিংসাত্মক কাৰ্য সংঘটিত হ'ব পাৰে বুলি প্ৰশাসনৰ ফালৰ পৰাও আৰক্ষী মোতায়েন কৰা হৈছিল যদিও আৰক্ষীৰ সন্মুখতে বিজেপি আৰু কংগ্ৰেছ দলৰ সমৰ্থক সকলে হতাহতি কাৰ্যত জড়িত হৈ পৰে। পাছত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

## বিতৰ্ক এৰি সমিলমিলেৰে কাম কৰিবলৈ আহ্বান মৌলানা আনফৰৰ

# জয়নগৰ মাদ্ৰাছাৰ নৱগঠিত কমিটিৰ সভাপতি হবিব মহম্মদ চৌধুৰীৰ দায়িত্বভাৰ গ্ৰহণ

**ই-সংবাদ, মোৰাঝাৰ, ২১ অক্টোবৰঃ** বহু বিতৰ্কৰ অন্তত হোজাই জিলাৰ ইছলামিক শিক্ষা প্ৰতিষ্ঠান অসম দাৰুল হাদীছ জয়নগৰ মাদ্ৰাছাৰ নৱগঠিত পৰিচালনা সমিতিয়ে শপত গ্ৰহণ কৰাৰ লগতে দায়িত্বভাৰ লয়। উল্লেখ্য যে, যোৱা ৬ অক্টোৱৰৰ দিনা হোজাই জিলা আয়ুক্তৰ উপস্থিতি অনুষ্ঠিত হোৱা সাধাৰণ সভাত মাদ্ৰাছা পৰিচালনা সমিতিৰ সভাপতি হিচাপে বাচনি কৰা হৈছিল অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ অধ্যক্ষ হাবিব মহম্মদ চৌধুৰী। তাৰ পাছৰে পৰা সামাজিক মাধ্যমত ৰাজনৈতিক ব্যক্তি মাদ্ৰাছা পৰিচালনা সমিতিত সোমোৱাৰ বাবে তুমুল বিতৰ্কৰ সৃষ্টি হৈছিল। বিতৰ্ক চলি থকাৰ সময়ত ২০ অক্টোবৰত সন্ধিয়াৰ পিছত অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মুস্তাক আনফৰৰ মধ্যস্থতাত বিষয়টো কমিটিৰ অন্যান্য সদস্যৰ লগত আলোচনা কৰি সমাধান কৰা হয় আৰু হাবিব মহম্মদ চৌধুৰীৰ নেতৃত্বাধীন পৰিচালনা সমিতিয়ে দায়িত্বভাৰ গ্ৰহণ কৰে। আনহাতে নৱগঠিত সমিতিত কিছু ৰাজনৈতিক ব্যক্তিক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পাছতেই সেই বিতৰ্কিত দুজনে কমিটিৰ পৰা পদত্যাগ কৰা বুলি নৱগঠিত সমিতিৰ সভাপতি চৌধুৰীয়ে জানিবলৈ দিয়ে। মাদ্ৰাছাখনত যাতে শৈক্ষিক পৰিৱেশ বিনষ্ট নহয় তাৰ স্বাৰ্থতহে জমিয়তৰ সভাপতিগৰাকীয়ে হস্তক্ষেপ কৰা বুলি মন্তব্য কৰে। কোনো ৰাজনৈতিক কাৰণত নহয় বুলিও কয় আনফৰে। আনহাতে পূৰ্বৰ সমিতিয়ে লাখ লাখ টকা দুনীতি কৰাৰ অভিযোগ সন্দৰ্ভত চৰকাৰীভাৱে হিচাপ-নিকাচ কৰাৰ পাছত যদি সঁচাকৈয়ে সেই সকলে দুনীতিৰ লগত জড়িত বুলি প্ৰমাণ হয় তেন্তে তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰো হুংকাৰ প্ৰদান কৰে নৱগঠিত সমিতিৰ সভাপতি হবিব মহম্মদ চৌধুৰীয়ে। আৰক্ষীৰ কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত দেওবাৰে নিশা নৱ গঠিত কমিটিখনে দ্বায়িত্বভাৰ লয়। উল্লেখ্য যে, অসম তথা উত্তৰ পুৰ্বাঞ্চলৰ সৰ্ব ইছলামিক শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত জামিয়া অসম দাৰুল হাদীছ জয়নগৰ মাদ্ৰাছাৰ নৱগঠিত পৰিচালনা সমিতিখন অলপতে গঠন কৰা হৈছিল যদিও কমিটি গঠনৰ পাছতে একাংশ সদস্যক লৈ হোজাই জিলাৰ লগতে ৰাজ্যজুৰি সামাজিক মাধ্যমত ব্যাপক বিতৰ্ক আৰম্ভ হৈছিল। এই বিতৰ্ক চলি থকাৰ মাজতে নৱগঠিত সমিতিখনৰ এগৰাকী উপ সভাপতিয়ে পদত্যাগ কৰাত কিছু সময়ৰ কাৰণে বিতৰ্ক ম্লান পৰে। ইয়াৰ মাজতে দেওবাৰে সন্ধিয়া মাদ্ৰাছাৰ কাৰ্যালয়ত নতুন কমিটিৰ সভাপতি হবিব মহাম্মদ চৌধুৰীসহ প্ৰায় ৫১ জনীয়া কমিটিয়ে দায়িত্বভাৰ গ্ৰহণ কৰে। লগতে অসম ৰাজ্যিক জমিয়ৰ সভাপতি মৌলানা মুস্তাক আনফৰক মুখ্য উপদেষ্টা হিচাপেলৈ সৰ্বোচ্চ ক্ষমতা প্ৰদান কৰি ন জনীয়া এখন উপদেষ্টা সমিতি গঠন হয়। বিশেষকৈ আনফৰক শৈক্ষিক দিশটো চোৱাচিতা কৰাৰ বাবে দায়িত্ব অৰ্পণ কৰা হয়। অনুষ্ঠানত জমিয়তৰ সভাপতি মৌলানা মুস্তাক আনফৰ উপস্থিত থকাৰ লগতে আমচুৰ হোজাই জিলা সমিতিৰ প্ৰতিনিধি উপস্থিত থাকে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে, হোজাই জিলা আৰক্ষী অধীক্ষক সৌৰভ গুপ্তাৰ নিৰ্দেশত মোৰাঝাৰ থানাৰ আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজতে এই দায়িত্বভাৰ গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ লোকৰ দান-বৰঙণিৰে চলা এই মাদ্ৰাছাৰ বিতৰ্ক বন্ধ হোৱাতো কামনা কৰিছে সচেতন মহলে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মাদ্ৰাছা পৰিচালনা কমিটিৰ সভাপতিয়ে ৰাইজৰ সহায়-সহযোগিতাৰে মাদ্ৰাছাখনক আগবঢ়াই লৈ যোৱাৰ পোষকতা কৰি সাধাৰণ ৰাইজক সহযোগ কৰিবলৈ আহৱান জনায়। ইপিনে মাদ্ৰাছাৰ বিতৰ্ক অন্ত পেলাই এক সুস্থ পৰিৱেশ ঘূৰাই অনাৰ বাবে বিশেষ ভূমিকা লোৱা মৌলানা মুস্তাক আনফৰে সাংবাদিকৰ আগত কয় যে মই কোনো ৰাজনৈতিক দলৰ ব্যক্তি নহয়, কোনো দলক সমৰ্থন কৰা সেয়া মোৰ ব্যক্তিগত কথা। ৰাজনীতি মোৰ মতলব নহয়, মই ৰাইজ আৰু কৌমৰ কাম কৰিবলৈ সদায় সমাজৰ লগত আছো। জয়নগৰ মাদ্ৰাছাৰ ক্ষেত্ৰতো সকলোকে সহযোগ কৰাৰ আহ্বান জনায় আনফৰে। অনাহকত বিতৰ্ক নকৰিবলৈ সকলোকে আনফৰে আহ্বান জনাই কয়, ৰাইজৰ কিবা ক'বলৈ থাকিলে মাদ্ৰাছালৈ আহি পৰামৰ্শ দিয়ক কিন্তু সামাজিক মাধ্যমত বিতৰ্ক নকৰাতো শ্ৰেয়। আনফৰৰ লগত সুৰ মিলাই সভাপতি চৌধুৰীয়েও কয়, ৰাইজৰ ফালৰ পৰা কিবা গঠনমূলক পৰামৰ্শ থাকিলে দিয়ক আমি ৰাইজৰ পৰামৰ্শ প্ৰয়োজন অনুসৰি আন্তৰিকতাৰে গ্ৰহণ কৰিম । আমি সকলোৱে শিক্ষাৰ উন্নতিৰ কাৰণে একেলগে কাম কৰিম বুলি কয় চৌধুৰীয়ে। লগতে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় দেশ-বিদেশত থকা আমাৰ যুৱকসকলে কিবা এটা কাৰণত সামাজিক মাধ্যমত এনেই অযথা বিতৰ্ক কৰিব নালাগে। তেওঁলোকে আমাক দিহা পৰামৰ্শ দিয়ক, আমি পৰামৰ্শ, আলোচনাৰ মাজেৰে সকলোৱে মিলিজুলি মাদ্ৰাছাখনৰ শিক্ষাৰ উপৰিও আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ শিক্ষাৰে নতুন শৈক্ষিক জাগৰণ আনিম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাতৃৰে মিলি পত্নীয়ে কাঢ়িলে

১ মান বজাত বলৰুদ্দিন পাৰামাণিক (৩৯) নামৰ লোক এজনক তেওঁৰেই পত্নী মৰ্জিনা বিবিয়ে ভাতৃ মুস্তাফা আলিৰ সৈতে মিলি হত্যা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে ইতিমধ্যে দুই অভিযুক্তক আটক কৰিছে আৰু অধিক তথ্যৰ সন্ধানত সোধা-পোছা অব্যাহত ৰাখিছে। আজি নিজ বাসগৃহত সংবাদ মাধ্যমৰ আগত হত্যাৰ বলি হোৱা বলৰুদ্দিন পাৰামণিকৰ পিতৃ ইমান পাৰাণৰিকে কয় যে তেওঁ নিশা প্ৰস্ৰাৱ কৰিবলৈ উঠোতে দেখা পায় যে তেওঁৰ পুত্ৰ বলৰুদ্দিন পাৰামাণিকক (৩৯) তেওঁৰেই পত্নী মৰ্জিনা বিবি আৰু মাৰ্জিনা বিবিৰ ভায়েক মুস্তাফা আলিয়ে ঘৰৰ পিছফালে তামোল গছৰ ওচৰত ধৰাধৰি কৰি আছে। তেওঁক দেখা পাই পুনৰ সাউৎকৰে ৰুমলৈ যায় আৰু কান্দিবলৈ ধৰে। ইমান পাৰাণৰিকে সন্দেহ কৰা মতে ৰুমতে তেওঁৰ পুত্ৰক হত্যা কৰি পিছফালে নি আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা কৰিছিল বোৱাৰী আৰু বোৱাৰীৰ ভাতৃয়ে। বিগত পাঁচদিন ধৰি বোৱাৰীৰ ভাতৃয়ে তেওঁলোকৰ ঘৰতে থকা বুলি সদৰী কৰি হত্যাকাৰীক উচিত শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে দুৰ্ভগীয়া পিতৃয়ে। ইপিনে কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পৃথ্বীৰাজ ৰাজখোৱাই কয় যে দুই অভিযুক্ত ক্ৰমে মৰ্জিনা বিবি আৰু মুস্তাফা আলীক কালি নিশাই সোধা-পোছাৰ বাবে আটক কৰা হৈছে। দুই অভিযুক্ত বৰ্তমান কোকৰাঝাৰ আৰক্ষীৰ জিম্মাত আছে বুলি সদৰি কৰি প্ৰাথমিক তদন্তত এয়া হত্যাকাণ্ড বুলি যদিও সন্দেহ কৰা হৈছে তথাপিও মৰণোত্তোৰ পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ পিছতহে বিষয়টো পৰিস্কাৰ হ'ব বুলি মন্তব্য কৰিছে কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পৃথ্বীৰাজ ৰাজখোৱাই। হত্যাকাণ্ডৰ সলনি এয়া আত্মহত্যা কৰাৰ বাবে প্ৰৰোচিত কৰা ঘটনাও হ'ব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে অতিৰিক্ত আৰক্ষী অধীক্ষক পৃথ্বীৰাজ ৰাজখোৱাই। আন এক সূত্ৰই প্ৰকাশ কৰা মতে মৃত বলৰুদ্দিন পাৰামাণিকক মানসিকভাৱে কিছু পৰিমাণে সুস্থ নাছিল বুলি দাবী কৰি এয়া আত্মহত্যাৰ দৰে ঘটনাও হ'ব পাৰে বুলি উল্লেখ কৰিছে। অৱশ্যে মৰণোত্তোৰ পৰীক্ষা আৰু আৰক্ষীৰ তদন্তত হে প্ৰকৃত তথ্য বাহিৰ হ'ব। আনহাতে তীব্ৰ চাঞ্চল্য সৃষ্টিকাৰী উক্ত ঘটনাৰ পিছত মৃতকৰ বাসগৃহত অজস্ৰ লোকে ভিৰ কৰে। ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টিকাৰী উক্ত ঘটনাক এবিএমছুৰ সাধাৰণ সম্পাদক জাইদুল শ্বেখে গৰিহণা দি দোষীক ফাষ্টট্ৰেক আদালতত বিচাৰ কৰি কঠোৰ শাস্তিৰ পোষকতা কৰিছে। উল্লেখ্য বিগত কিছুবছৰ ধৰি সমগ্ৰ ৰাজ্যৰে ভিন্ন প্ৰান্তত এনেধৰণৰ ঘটনা উদ্বেগজনকভাৱে বৃদ্ধি পাবলৈ লৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰদ্ৰোহী, মাওবাদী নহয় বিধায়ক

তিনি সতীৰ্থৰ বিৰুদ্ধে চলি থকা গোচৰত আজি ৰায় প্ৰদান কৰি অখিল গগৈসহ আন তিনিজনক ৰাষ্ট্ৰদ্ৰোহৰ গোচৰৰ পৰা মুক্ত কৰা হয়। নিয়াৰ আদালতৰ ৰায়ে এটা কথা স্পষ্ট কৰে যে অখিল গগৈ ৰাষ্ট্ৰদ্ৰোহী নহয়। লগতে সন্ত্ৰাসবাদীৰে সম্পৰ্ক নাই বুলিও ৰায়ত উল্লেখ কৰিছে। চৰকাৰে দাবী কৰাৰ দৰে মাওবাদীৰে সম্পৰ্ক নাই অখিল গগৈৰ। তাৰ লগে লগে গোচৰৰ পৰা ৰাষ্ট্ৰদোহৰ ধাৰা ১২৪ (ক) আৰু বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ ধাৰা আতৰাই দিয়া হয়। গোচৰত দুটা গোটৰ মাজত সংঘাত লগোৱাৰ ষড়যন্ত্ৰৰ বাবে নতুনকৈ চাৰ্জ ফ্ৰেম কৰা হয়। তদানীন্তন কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা অখিল গগৈসহ ধৈৰ্য্য কোঁৱৰ, বিতু সোণোৱাল আৰু মানস কোঁৱৰে গোচৰত কিছু সকাহ পালেও সম্পূৰ্ণ ৰূপে গোচৰৰ পৰা মুক্ত হোৱা নাই। এতিয়াও দোষমুক্ত হোৱা নাই অখিল গগৈ, ধৈৰ্য্য কোঁৱৰ, বিতু সোণোৱাল আৰু মানস কোঁৱৰ। নাগৰিকত্ব সংশোধনী আইন বিৰোধী আন্দোলনৰ সময়ত ডিব্ৰুগড়ৰ এটা ঘটনাক লৈ ৰুজু কৰা হৈছিল ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ। নিয়াই এই গোচৰৰ তদন্ত কৰিছিল। নিয়াৰ আদালতত দীৰ্ঘদিন ধৰি গোচৰ চলি আছে। আজি আদালতৰ ৰায়ৰ পাছতেই চৰকাৰী হেঁচা এতিয়াও আঁতৰা নাই বুলি দাবী কৰি অখিল গগৈয়ে কয় যে আমি ৰাষ্ট্ৰদ্ৰোহী নহয়। লগতে সন্ত্ৰাসবাদীৰে সম্পৰ্ক নাই বুলিও ৰায়ত উল্লেখ কৰিছে। সেই বুলি আজি আদালতে ৰায় দিছে। 'কা' আন্দোলনত ষড়যন্ত্ৰ কৰা বুলি ধাৰা কেইটা ৰাখিছে। আন্দোলনৰ সময়ত দুটা গোটৰ মাজত কাজিয়া লগাবলৈ ষড়যন্ত্ৰ কৰা বুলি আমাৰ বিৰুদ্ধে নতুনকৈ চাৰ্জ ফ্ৰেম কৰা হৈছে। অখিল গগৈয়ে এটা কথা স্বীকাৰ কৰি কয় যে চৰকাৰ বিৰোধিতা একেবাৰে সহজ নহয়। ৰাষ্ট্ৰৰ অত্যাচাৰী কামবোৰৰ বিৰোধিতা কৰাটো বহুত কঠোৰ কাম। আজিৰ গোচৰে এটা কথা প্ৰমাণ কৰি দিলে যে চৰকাৰে আমাৰ বিৰুদ্ধে লাগি আছে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ আগতকৈ বেছি সক্ৰিয়। আদালতে কৈছিল এইবোৰ ভুৱা গোচৰ। এইবোৰ গোচৰ কোৰ্টত চলিবলগীয়া গোচৰেই নহয়। এতিয়া বাৰে বাৰে চৰকাৰে কৰা হেঁচাত উচ্চতম ন্যায়ালয়, উচ্চ ন্যায়ালয় আৰু এনেবোৰ আদালতত গোচৰ ৰুজু কৰা হৈছে। নিয়াৰ আদালতত অখিল গগৈৰ পক্ষে যুক্তি প্ৰদৰ্শন কৰিছিল জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে। ২০১৯ চনত ৰুজু হোৱা গোচৰটোৰ ৫ বছৰ পাৰ হৈ গ'ল। ২০১৯ চনৰ পৰা অখিল গগৈ, বিতু সোণোৱাল, ধৈৰ্য্য কোঁৱৰ আৰু মানস কোঁৱৰে দীৰ্ঘ সময় কাৰাগাৰত কটাবলগীয়া হৈছে। ২০১৯ চনৰ ১২ ডিচেম্বৰত যোৰহাটত তেওঁক গ্ৰেপ্তাৰ কৰা হয়। উক্ত বৰ্ষৰ ১৭ ডিচেম্বৰত দহদিনৰ বাবে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই জিম্মাত লৈছিল অখিলক। দিল্লীলৈ নি সোধা-পোছা কৰা হয় আৰু ২৫ ডিচেম্বৰত পুনৰ গুৱাহাটীলৈ আনি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছিল। এনেকৈয়ে, কাৰাগাৰত থকা অৱস্থাতেই নিৰ্বাচন খেলি বিধায়ক হৈছিল অখিল।

# শিৱসাগৰ গ্ৰন্থ উৎসৱত ই-মিডিয়া সংস্থাৰ উদ্যোগত এংকৰিং প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ২২ অক্টোবৰঃ** শিৱসাগৰ নৰম গ্ৰন্থ উৎসৱৰ ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সাহিত্য ক্ষেত্ৰত আজি প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এক ব্যতিক্ৰমী অনুষ্ঠানে সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হয়। জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি নিজস্ব শৈলীৰে এংকৰিং কৰা দৃশ্য আছিল নান্দনিক। শিৱসাগৰ ই-মিডিয়া সংস্থাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা হয় এংকৰিং প্ৰতিযোগিতা। "আমাৰ ভূপেন দা" শীৰ্ষক বিষয় ধাৰ্য কৰি দিয়া প্ৰতিযোগিতাখনত ভাগ লৈ প্ৰতিযোগীসকলে ড০ ভূপেন হাজৰিকা সন্দৰ্ভত নিজস্ব শব্দ, উপস্থাপন শৈলীৰে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ বিষয়ে এংকৰিং কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কোনো কোনো প্ৰতিযোগীয়ে ভূপেন দাৰ "বিস্তৃণ পাৰে অসংখ্য জনৰে হাহাকাৰ শুনি নিঃশব্দে নীৰৱে" অথবা "মই এটি যাযাবৰ, ধৰাৰ দিহিঙে দিপাঙে"ৰ দৰে অনেক গীতৰ কলিৰে এংকৰিং আৰম্ভণি কৰাৰ লগতে প্ৰতিজনেই বিশ্বখ্যাত সংগীতশিল্পী, দাদাচাহেব ফাল্কে বটা প্ৰাপক, ভাৰত ৰত্ন, অসমীয়াৰ হিয়াৰ আমঠু সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জীৱন-দৰ্শন আৰু কৰ্মৰাজি সন্দৰ্ভত কম সময়ৰ ভিতৰত সুন্দৰকৈ উপস্থাপন কৰা পৰিলক্ষিত হয়। এটি অনুষ্ঠানত কিদৰে এংকৰিং কৰিব পাৰে তাৰ সুন্দৰ প্ৰতিভা প্ৰদৰ্শন কৰি সকলোৰে মন মোহিত কৰিছিল প্ৰতিযোগীসকলে। সাংবাদিক পৰীক্ষিত গগৈয়ে আঁত ধৰা অনুষ্ঠানত বিচাৰক হিচাপে উপস্থিত থাকে অভিজ্ঞ এংকৰ, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অস্থায়ী তথা অংশকালীন এংকৰ নিমিষা শাণ্ডিল্য আৰু বন্যাৱাণী বৰুৱা। কুৰি গৰাকীৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত নাজিৰা ডিপিএছৰ আৰ্হি মহন্তই প্ৰথম স্থান লাভ কৰে। শিৱসাগৰ ছোৱালী কলেজৰ পল্লৱী ফুকন দ্বিতীয় আৰু আমগুৰিৰ অৰুণোদয় একাডেমীৰ আস্থাৱাণী শইকীয়াই তৃতীয় স্থান লাভ কৰে। আনহাতে, পুৰস্কাৰসমূহ অহা ২৪ অক্টোবৰত গ্ৰন্থ উৎসৱস্থলীত প্ৰদান কৰা হ'ব বুলি সদৰি কৰিছে উদ্যোগক্তাসকলে। এই অনুষ্ঠানত শিৱসাগৰৰ বহু জ্যেষ্ঠ সাংবাদিক উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মনোনয়ন দাখিল ধ্ৰুৱৰ

কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ উপস্থিতত প্ৰাক্তন বিধায়ক দিগেন্দ্ৰ চন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থই শিলচৰস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত কেইবা হাজাৰ লোকক লৈ সমদল কৰি আহি মনোনয়ন দাখিল কৰে। খোদ ভূপেন বৰাই হাতত কংগ্ৰেছৰ পতাকা লৈ সমদল সন্মুখত থিয় দি নেতা-কৰ্মীৰ উৎসাহ বৃদ্ধি কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। কংগ্ৰেছ জিন্দাবাদ, ভূপেন বৰা জিন্দাবাদ, ধ্ৰুৱজ্যোতি পুৰকায়স্থ জিন্দাবাদ শ্ল'গান দি আকাশ-বতাই কপাই তোলে। এই ৰেলীৰ পৰাই ভূপেন বৰাই বিশেষ ঘোষণা কৰে। বিদ্ৰোহ আৰম্ভ কৰা বিজেপি দলৰ নেতাক কংগ্ৰেছ দললৈ আদৰণি জনাই ভূপেন বৰাই কয় যে ৰাজ্যখনৰ উন্নয়ন আৰু বৰাক উপত্যকাৰ জনসাধাৰণৰ কল্যাণৰ বাবে চিন্তা কৰা যিকোনো ৰাজনৈতিক দলৰ নেতাক আদৰণি জনোৱাৰ বাবে কংগ্ৰেছ সাজু। আনহাতে, সমষ্টি পুনৰ নিৰ্ধাৰণৰ নামত বৰকাৰ সমষ্টি বিলুপ্ত কৰা বুলি অভিযোগ আনে বৰাই। বৰাই আৰু কয় যে বিজেপিয়ে ডাবল ইঞ্জিন চৰকাৰৰ অধীনত উন্নয়নৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি উন্নয়ন কৰাত ব্যৰ্থ হৈছে। শিলচৰত বানপানীৰ সমস্যা সমাধানৰ বাবে নমামি বৰাকৰ দৰে অনুষ্ঠানৰ আয়োজন কৰিছিল। কিন্তু শেহতীয়া বানপানীয়ে প্ৰতিশ্ৰুতি পালনত যে বিজেপি বিফল হৈছে সেয়া প্ৰমাণ কৰা বুলি কয়। আগন্তুক উপ-নিৰ্বাচনত কংগ্ৰেছে ভাল ফলাফল কৰিব আৰু বৰাক উপত্যকাৰ উন্নয়নৰ প্ৰতিশ্ৰুতি দি কংগ্ৰেছে বৰাক উপত্যকাৰ যত্ন ল'ব বুলিও কয় আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। আনহাতে, ধলাইৰ কংগ্ৰেছৰ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থ ১৩ নৱেম্বৰত সংবিধান ৰক্ষাৰ বাবে কংগ্ৰেছ দলক ভোট দিবলৈ আহ্বান জনায়। বিধায়ক নিৰ্বাচিত হ'লে মোৰ পিতৃৰ দৰেই মূল্যবোধক বজাই ৰাখি জনসাধাৰণৰ কল্যাণৰ বাবে নিজকে সমৰ্পিত কৰিম। ১৯৭২ চনত পিতৃ দিগেন্দ্ৰ চন্দ্ৰ পুৰকায়স্থ ধলাইৰ পৰা বিধায়ক নিৰ্বাচিত হোৱাৰ প্ৰসংগ উল্লেখ কৰি ধ্ৰুৱজ্যোতি পুৰকায়স্থই আৰু কয় যে মোৰ প্ৰয়াত পিতৃ দিগেন্দ্ৰ চন্দ্ৰ পুৰকায়স্থ প্ৰথমবাৰৰ বাবে ১৯৭২ চনত ধলাইৰ পৰা বিধায়ক নিৰ্বাচিত হৈছিল। তেওঁ জনসাধাৰণৰ সৈতে গভীৰ সম্পৰ্ক ৰক্ষা কৰিছিল। তেওঁৰ সেই সম্পৰ্কই আশীৰ্বাদ বুলি বিবেচনা কৰো। যদি ৰাইজে সুযোগ দিয়ে মোৰ অভিজ্ঞতা ব্যৱহাৰ ৰাইজৰ সেৱা কৰিম। যিসকলে বৰ্তমানৰ শাসকীয় পক্ষৰ বিৰুদ্ধে সংগ্ৰাম কৰি আছে তেওঁলোকক ধন্যবাদ জনাই এই নিৰ্বাচন সংবিধানৰ সুৰক্ষাৰ যুঁজ বুলি কয় ধ্ৰুৱজ্যোতি পুৰকায়স্থই। ইপিনে বিজেপি দলক তীব্ৰ আক্ৰমণ কৰি বিজেপিয়ে ভোটাৰ বাবে সাম্প্ৰদায়িক ৰাজনীতিৰ ওপৰত নিৰ্ভৰ হোৱা বুলি কয়। বিজেপিয়ে ভোটাৰক আকৰ্ষিত কৰিবলৈ সাম্প্ৰদায়িক ৰাজনীতিৰ ওপৰত নিৰ্ভৰ কৰিছে। এয়া বিভাজনমূলক কৌশল। মানুহে স্পষ্টভাৱে দেখিছে।বিপৰীতে কংগ্ৰেছে সমাজৰ সকলো শ্ৰেণীৰ লোকক লৈ সামগ্ৰিক বিকাশক গুৰুত্ব দিয়ে। শিলচৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি পুৰকায়স্থই ভৱিষ্যদ্বাণী কৰি উপ-নিৰ্বাচনত বিজয় অৰ্জন কৰিব বুলি দাবী কৰে। বিজেপি প্ৰাৰ্থী নিহাৰৰঞ্জন দাস সন্দৰ্ভত কয় যে মই তেওঁক একেবাৰে প্ৰত্যাহ্বান বুলি নাভাবো। এনেদৰে এতিয়া গৰম হৈ পৰিছে সমষ্টিটোৰ নিৰ্বাচনী বতাহ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উজনিৰ ফ'ৰলেন! গাডকাৰীক

দলং, যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কামে কেন্দ্ৰ আৰু ৰাজ্যত চৰকাৰ চলাই থকা বিজেপি দলটোৰ কামৰ নমুনাক লৈও প্ৰশ্ন উঠিব ধৰিছে। বিগত লোকসভা নিৰ্বাচনত যোৰহাট সংসদীয় সমষ্টিত বিজেপিয়ে সৰ্ব শক্তি প্ৰয়োগ কৰিও জয়ী হ'ব নোৱাৰাৰ এয়াও এক কাৰণ বুলি চৰ্চা হয়। আনহা লনালাগে মাজুলী সংযোগী দলংখনক লৈ বিজেপিয়ে দলে কৰা লৰা-ধেমালিয়ে মানুহক ভীষণ যন্ত্ৰণা দিছে। দলঙৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাত মাজুলীবাসীয়ে স্বস্তিৰ নিশ্বাস লৈছিল। ভাবিছিল ২০২৫ চনৰ পৰা আধা ঘণ্টাৰ ভিতৰতে বহিঃজগতৰ সৈতে যোগযোগ কৰিব পাৰিব। কিন্তু চৰকাৰে মাজুলীবাসীৰ আশাত বেত্ৰঘাত কৰি অত্যন্ত লেহেমীয়া গতিত আগবাঢ়িল নিৰ্মাণৰ কাম। মুখ্য খুঁটাকেইটা আজিলৈকে নিৰ্মাণ কৰা নহ'ল। ব্যাপক খাম-খেয়ালিৰ বাবে যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য বন্ধ হৈ আছে। একেই কথা যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কামতো। বাৰে বাৰে বন্ধ কৰি ৰয়কা হৈছে নিৰ্মাণৰ কাম। বৃহৎ বৃহৎ গাতেৰে ভৰি পৰা যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথত গাড়ী-মটৰ চলাব পৰা পৰিৱেশ নাই। মানুহে ঘাই পথটোৰে গাড়ীত বহি একঘন্টা যাত্ৰা কৰিলেই কঁকালৰ বিষ, শৰীৰ অচল হৈ পৰো পৰো হয়। নিতৌ সংঘটিত হৈ দুৰ্ঘটনা। যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কামে জ্বলা-কলা খুৱাইছে ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, জিলাৰ লক্ষ লক্ষ লোকক। কিন্তু হঠাতে সাৰ পাইছে অসমৰ দুই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। সোমবাৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ঘাইপথত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ তৎপৰ হৈ পৰিবলৈ বাধ্য হয়। সোমবাৰে যোৰহাট জিলাৰ কাকজানত ৰাষ্ট্ৰীয় ঘাইপথ-৩৭ত মানৱ শৃংখলা কাৰ্যসূচী ৰূপায়ন কৰিছিল সংগঠনটোৱে। যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বই কেইবা হাজাৰ লোকক লৈ ৰাজপথলৈ ওলাই অহাত টোপনিৰ পৰা সাৰ পায় বিজেপি দল আৰু চৰকাৰ। মঙলবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুই কেন্দ্ৰীয় মন্ত্ৰী আৰু কেইবাগৰাকী সাংসদক লগত লৈ কেন্দ্ৰীয় পথ-পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে আলোচনাত মিলিত হয়। ছ'চিয়েল মিডিয়াত শ্বেয়াৰ কৰা এটা ভিডিঅ' বাৰ্তাত শৰ্মাই কয় যে যোৰহাট-ডিব্ৰুগড় চাৰিলেন প্ৰকল্পৰ কাম অহা কেইমাহমানৰ ভিতৰত ত্বৰান্বিত হ'ব। আজি আমি নীতিন গাডকাৰীৰ সৈতে তেওঁৰ কাৰ্যালয়ত যোৰহাট-ডিব্ৰুগড়লৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সন্দৰ্ভত বিতং আলোচনা কৰো। ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে প্ৰকল্পটো চম্ভালিব, ঠিকাদাৰ আৰু বিষয়াসকলে সক্ৰিয়ভাৱে আলোচনাত অংশগ্ৰহণ কৰিব বুলিও কয় মুখ্যমন্ত্ৰী ডঃ শৰ্মাই। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আৰু কয় যে উজনি অসমত হোৱা ধাৰাসাৰ বৰষুণ বাবে প্ৰকল্পটোৰ কামত বাধা হৈছিল। কিন্তু নিৰ্মাণ কাৰ্যই এতিয়া গতি পাব। কিয়নো ৰাজ্যত বতৰ শুকান হৈছে। আনহাতে, মুখ্যমন্ত্ৰীয়ে নিশ্চিত কৰে যে কেন্দ্ৰই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰস্তাৱিত এনিমেল কৰিডৰৰ বাবে অনুমোদন জনাইছে। অহা দুই-তিনি মাহৰ ভিতৰত কেবিনেটত চূড়ান্ত অনুমোদন বিচাৰিব আৰু ৫,৫০০ কোটি টকাৰ প্ৰকল্পই সেউজ সংকেট লাভ কৰিব। গহপুৰ-নুমলীগড় সুৰংগ প্ৰকল্পৰ বিষয় উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিতং প্ৰাককলন সম্পূৰ্ণ হোৱাৰ পথত। গাডকাৰী ডাঙৰীয়াই উল্লেখ কৰিছে যে বিতং প্ৰাককলন হোৱাৰ পিছত আমি পৰৱৰ্তী পদক্ষেপলৈ আগবাঢ়িম। ইপিনে বাইহাটা চাৰিআলিৰ পৰা তেজপুৰলৈ চাৰিলেনৰ প্ৰকল্প সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰীয় ঘাইপথটোক চাৰিলেন পথলৈ সম্প্ৰসাৰিত কৰাৰ প্ৰস্তাৱ কেন্দ্ৰত দাখিল কৰা হ'ব। গাডকাৰী ডাঙৰীয়াই অনুমোদন কৰাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিছে। চৰকাৰৰ ল'ৰা-ধেমালিত বিতুষ্ট হৈ পৰিছে উজনিবাসী। গুৰুত্বপূৰ্ণ যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কাম লেহেমীয়া হোৱাত যমৰ-যাতনাত ভুগিছে কেইবা লক্ষ লোকে। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ এতিয়া বিজেপিৰ বাবে মুৰৰ কামোৰণি হৈ পৰিছে। উজনিত দুগৰাকীকৈ কেন্দ্ৰীয় মন্ত্ৰী, কেইবাগৰাকী সাংসদ থকাৰ পিছতো এটা ঘাইপথ কেইবাবছৰে নিৰ্মাণ সমাপ্ত কৰিব নোৱৰাত ৰাইজে অতিষ্ঠ হৈ সামাজিক মাধ্যম যোগে চৰকাৰক ভৎৰ্সনা কৰি আহিছে। এদিন পূৰ্বে হাজাৰ হাজাৰ লোক পথলৈ ওলাই অহাত ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনত ব্যস্ত থকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হঠাতে উজনিৰ জনসাধাৰণৰ ঘাইপথৰ সমস্যাৰ হকে নতুন দিল্লীত সাংগো-পাংগোসহ তৎপৰ হ'বলগীয়া হৈছে। কিয়নো ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপিছে! এতিয়া কেন্দ্ৰীয় মন্ত্ৰীক দেখা কৰাৰ পিছত কিমান দিনৰ ভিতৰত পছছোৱা নিৰ্মাণ হয় সেয়া লক্ষণীয় হ'ব। উল্লেখ্য যে বিজেপিয়ে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কাম-কাজবোৰ লেহেমীয়া গতিৰে হোৱা বুলি অভিযোগ কৰি আহিছিল। কিন্তু সেই বিজেপি চৰকাৰৰ দিনতে এটা ৰাষ্ট্ৰীয় ঘাইপথৰ অৱস্থা এনেদৰে প্ৰায় এটা দশক ধৰি জৰাজীৰ্ণ হৈ থকাত ৰাইজ ক্ষোভিত হৈ পৰিছে। বিশেষকৈ উজনিৰ জিলাসমূহলৈ যাতায়ত কৰা লোকসকলে প্ৰতিদিনেই পথৰ বাবে বিগত সময়ছোৱাত সন্মুখীন হৈ আহিছে এক নৰক সদৃশ পৰিস্থিতিৰ।

# গুঁইজান নতুন গাঁৱত নৃশংস হত্যাকাণ্ড, আটক মহিলা

**ই-সংবাদ, ডুমডুমা, ২২ অক্টোবৰঃ** তিনিচুকীয়াৰ গুঁইজান আৰক্ষী চকীৰ অন্তৰ্গত নতুন গাঁৱত সংঘটিত হৈছে এক নৃশংস হত্যাকাণ্ড। গাঁওখনৰ সমীৰ গোহাঁই(২২) নামৰ যুৱকজনৰ মৃতদেহ স্থানীয় ৰাইজৰ তৎপৰতাত আজি পুৱা গাঁওখনৰ এখন হাবিৰ পৰা উদ্ধাৰ হোৱাৰ পাছতেই এক প্ৰকাৰৰ চেপা উত্তেজনাই বিৰাজ কৰে অঞ্চলটোত। শনিবাৰৰ পৰা যুৱকজন নিখোঁজ হৈ আছিল বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। ঘটনাৰ সন্দৰ্ভত যুৱকজনৰ পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি, গাঁওখনৰে জনৈক নেওগ নামৰ মহিলাগৰাকীয়ে পৰিকল্পিতভাৱে হত্যা কৰিছে যুৱকজনক। এই সন্দৰ্ভত যুৱকজনৰ পৰিয়ালৰ লোকে এক ফোন ৰেকৰ্ডিঙো লাভ কৰিছে। ইতিমধ্যে, মহিলাগৰাকীৰ বাসগৃহটোত আৰক্ষীয়ে তালাচী চলাই আছে। প্ৰাপ্ত তথ্য অনুসৰি, মহিলাগৰাকীৰ সৈতে নিবিড় সম্পৰ্ক ৰক্ষা কৰি আহিছিল যুৱকজনে। পুৱাই যুৱকজনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছতে স্থানীয় লোকে স্থানীয় গুঁইজান আৰক্ষী চকীক খবৰ দিয়াত গুঁইজান আৰক্ষী চকীৰ লগতে তিনিচুকীয়া সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰাগজ্যোতি বুঢ়াগোঁহাইৰ লগতে তিনিচুকীয়াৰ উপ-আৰক্ষী অধীক্ষক পুলকেশ ৰাভাৰ নেতৃত্বত এটা আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। ঘটনা সন্দৰ্ভত মহিলাগৰাকীৰ ঘৰত তালাচী চলোৱাৰ লগতে মহিলাগৰাকীক গুঁইজান আৰক্ষী চকীলৈ আনি তদন্ত চলোৱাৰ বিপৰীতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৃত যুৱকজনৰ পৰিয়ালে যুৱকজনৰ এনে নৃশংস হত্যাকাণ্ডৰ আঁৰত মহিলাগৰাকীৰ সৈতে আৰু আন কোনো লোকো জড়িত থকাৰ অভিযোগ তুলিছে। ৰাইজে আৰক্ষী-প্ৰশাসনক যুৱকজনৰ হত্যাকাণ্ডৰ ঘটনাৰ উচিত তদন্ত কৰি অপৰাধীক কঠোৰ শাস্তি দিয়াৰ দাবী তুলিছে।লোকৰ কৃষিভূমি অখিলজ্ঞীয়া মানুহৰ নামত নাম জাৰি কৰি দিয়া বুলিও খেদ প্ৰকাশ কৰে। মৃত যুৱকজনৰ পৰিয়ালে যুৱকজনৰ এনে নৃশংস হত্যাকাণ্ডৰ আঁৰত মহিলাগৰাকীৰ সৈতে আৰু আন কোনো লোকো জড়িত থকাৰ অভিযোগ তুলিছে।

## আন মহিলাৰ সৈতে অবৈধ সম্পৰ্ক শিক্ষক স্বামীৰ

# নিজ পত্নীক অকথ্য নিৰ্যাতন শিক্ষক ৰঞ্জন খনিকৰৰ

**ই-সংবাদ, হাজো, ২২ অক্টোবৰঃ** দেহৰ পৰা মাহ-হালধিৰ গোন্ধ নৌযাওঁতেই স্বামী গৃহৰ অকথ্য নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছে হাজো বামুন্দীৰ এগৰাকী যুৱতী। বিয়াৰ কিছুদিন পিছৰে পৰা স্বামী আৰু তেওঁৰ আত্মীয়ই ন কইনাগৰাকীক অকথ্য নিৰ্যাতন চলোৱাৰ অভিযোগ ভুক্তভোগী যুৱতীগৰাকীৰ। জানিব পৰা মতে, বিগত বৰ্ষত হাজোৰ বামুন্দী শিলগুৰিৰ যুৱতী তৰালী কলিতাই বিবাহপাশত আবদ্ধ হৈছিল ধেমাজিৰ যুৱক ৰঞ্জন খনিকৰৰ সৈতে। পেছাত টেট শিক্ষক ৰঞ্জন খনিকৰ চাকৰিসূত্ৰে পৰিয়ালৰ সৈতে মুকালমুৱাৰ ভেলামাৰীত বসবাস কৰি আহিছে। কিন্তু বিয়াৰ পিছত ন কইনা ঘৰ সোমোৱাৰ পৰাই তৰালী কলিতাৰ ওপৰত আৰম্ভ হৈছিল শাৰিৰীক আৰু মানসিক অত্যাচাৰ। অভিযোগ অনুসৰি শিক্ষক ৰঞ্জন খনিকৰৰ পত্নীৰ নিজ মাহীয়েকৰ সৈতে পূৰ্বৰে পৰা আছিল প্ৰেমৰ অবৈধ সম্পৰ্ক। অভিযোগ অনুসৰি বিগত সাত বছৰ ধৰি মহিলাগৰাকীৰ সৈতে ৰঞ্জন খনিকৰে চলাই আহিছে অবৈধ প্ৰেমৰ সম্পৰ্ক। বিয়াৰ পিছৰে পৰা স্বামী ৰঞ্জন খনিকৰে প্ৰেমিকাৰে মিলি পত্নীক অত্যাচাৰ চলাই আহিছিল। আনকি পত্নীৰ গুপ্তাংগত জ্বলন্ত ছিগাৰেট লগাই পাশৱিক তৃপ্তি লৈছিল পাষণ্ড স্বামী ৰঞ্জনে। এই অভিযোগ ভুক্তভোগী যুৱতীগৰাকীৰ। আনকি নিশা হ'লেই মাতাল হৈ স্বামী ৰঞ্জন খনিকৰে হিংস্ৰ জন্তু দৰে আচৰণ কৰে বুলিও অভিযোগ কৰিছে নৱ বিবাহিতাগৰাকীয়ে। আনকি শিক্ষক ৰূপী পশু ৰঞ্জনে ন কইনাগৰাকীক ডাইনী সজাই কোঠাত তলা বন্ধ কৰি থোৱাৰো অভিযোগ উঠিছে। আনকি নিজ কন্যাৰ এই অৱস্থাৰ খবৰ লবলৈ যোৱা পিতৃকো অবৈধ প্ৰেমিকাৰে মিলি প্ৰহাৰ কৰে জোঁৱাই ৰঞ্জন খনিকৰে। অৱশেষত দুৰ্ভগীয়া যুৱতীগৰাকীয়ে স্বামীৰ এই অত্যাচাৰ সহিব নোৱাৰি মাতৃ গৃহলৈ উভতি আহে। তাঁতশাল বৈ পৰিয়াল পোহপাল দিয়া পিতৃয়ে একমাত্ৰ জীয়ৰীৰ এই অৱস্থা দেখি ভাগি পৰিছে। আৰক্ষী থানাৰ দুৱাৰে দুৱাৰে ঘূৰিও আজিলৈকে ন্যায় পোৱা নাই দুৰ্ভগীয়া যুৱতী তথা পিতৃগৰাকীয়ে। দিশহাৰা যুৱতীগৰাকীয়ে অৱশেষত সংবাধ মাধ্যমৰ জৰিয়তে ন্যায় বিচাৰিছে অসমৰ মুখ্যমন্ত্ৰীৰ পৰা।



ভোট বিচাৰি! চামগুৰিত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সাংসদ গৌৰৱ গগৈৰ

# নগাঁৱৰ কচুৱাত বিধ্বংসী অগ্নিকাণ্ডত বিস্তৰ ক্ষয়-ক্ষতি

**ই-সংবাদ, বেবেজীয়া, ২২ অক্টোবৰঃ** নগাঁও জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কচুৱাৰ ২ নং ফাকলিত সোমবাৰে নিশা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই যদিও এজন লোকৰ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ বিপৰীতে দুই লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায়। প্ৰাপ্ত খবৰ মতে, আব্দুল কাচেম নামৰ লোকজনৰ ঘৰত এই বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ঘটনাৰ আকস্মিকতাত সমগ্ৰ অঞ্চলটোত হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয় আৰু বহুলোক সমৱেত হৈ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। পিছত স্থানীয় ৰাইজৰ সহযোগত অগ্নিনিৰ্বাপক বাহিনীৰ দলে জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। বিদ্যুতৰ শ্বৰ্ট ছাৰ্কিটৰ ফলতেই এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ কথা ব্যক্ত কৰিছে দুৰ্ভগীয়া পৰিয়ালটোৰ লগতে স্থানীয় ৰাইজে।

## ২৪ অক্টোবৰৰ -৩০ অক্টোবৰলৈকে বৰ্ণাঢ্য আয়োজন

# সাতদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভাওনা সমাৰোহ

**ই-সংবাদ, নাজিৰা, ২২ অক্টোবৰঃ** আজিৰ পৰা ৫৭৬ বছৰ আগতেই ১৪৪৯ খ্ৰীষ্টাব্দত মহাপুৰুষ গুৰুজনাৰ আৰ্বিভাৱৰ আগৰ সময়ছোৱাত অসম তথা সমগ্ৰ ভাৰতভূমি ধৰ্মান্ধতা আৰু দুষ্কৃতিৰ কৰ্মকাণ্ডই আচ্ছন্ন কৰি ৰাখিছিল। তেনে এক ঐতিহাসিক প্ৰয়োজনীয় ক্ষণতে মধ্য অসমৰ বৰদোৱাত পৰমপুৰুষে অৱতৰণ কৰি পূৰ্ণ মানৱী লীলা প্ৰদৰ্শনেৰে দেশ, জাতি, সাহিত্য, সংস্কৃতিকে আদি কৰি মানৱতাৰ সকলো উপাদানেৰে সমাজখন সংস্কাৰ কৰিবলৈ চেষ্টা কৰিছিল। গুৰুজনাৰ সংস্কাৰৰ মুখ্য উপাদান ভাওনা সংস্কৃতি। এই ভাওনা সংস্কৃতিকে প্ৰতিযোগিতামূলক ৰূপে বিশ্লেষণাত্মক দৃষ্টিভংগীৰে তুলি ধৰি, গুৰুজনাৰ ভাৱৰাশিক নৱ মূল্যায়ন কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰাৰ মানসেৰে শিৱসাগৰ জিলাৰ ধিতৰইপুখুৰীৰ অনংগ মোহন সাংস্কৃতিক গোষ্ঠীয়ে জন্ম লগ্নৰ প্ৰথম বৰ্ষতে অহা ২৪ অক্টোবৰৰ পৰা ৩০ অক্টোবৰলৈকে এখনি সদৌ অসম ভাওনা সমাৰোহ সাতদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিছে। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ মুঠ ৬ ভাগী নামঘৰত ভ্ৰাম্যমাণ হিচাপে এই সদৌ অসম ভাওনা সমাৰোহ ১২ খনকৈ ভাওনা প্ৰদৰৰশিত হ'ব। এই সমাৰোহৰ প্ৰথমদিনা ২৪ অক্টোবৰত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব উদযাপন সমিতিৰ সভাপতি ৰমেন দত্তই।

প্ৰথমদিনা ভাওনা খলা উদ্বোধনৰ পিছতে গোলাঘাট গোঞ্জমালি সাংস্কিতক গোষ্ঠীয়ে "ঔৰ্ব ঋষিৰ অভিশাপ দুৰ্বাশাৰ দৰ্পচূৰ্ণ" আৰু শিৱসাগৰৰ ত্ৰিমূৰ্তি শিল্পী সমাজে "কুশ বৰ্জন" ভাওনা পৰিৱেশন কৰিব। দ্বিতীয় দিনা নাজিৰা সুদৰ্শন নাট্যগোষ্ঠীৰ দ্বাৰা "শকুনিৰ প্ৰতিশোধ দুৰ্যোধনৰ উৰুভংগ" আৰু শিৱসাগৰ অনিৰুদ্ধ শিল্পী সমাজৰ দ্বাৰা "অম্বাৰ দেহত্যাগ" ভাওনা পৰিৱেশন কৰিব। তৃতীয়দিনা শিমলুগুৰি কেন্দ্ৰীয় নামঘৰত যোৰহাটৰ শিল্প সমাজে "সিন্ধুমুনিৰ পিতৃভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ" আৰু যোৰহাট কৃষ্ণ শংকৰ শিল্পী সমাজে "বিপ্ৰ দামোদৰ আখ্যান" ভাওনা ভাগি প্ৰদৰ্শন কৰিব। চতুৰ্থদিনা সন্ধ্যা লোনপুৰীয়া বিষ্ণুপুৰ বৰনামঘৰত ভেলেগুৰি শিল্পী সমাজে "মৎস্য অৱতাৰ" আৰু আমগুৰি মুৰুলী শিল্পী সমাজে "গজকেতু উপাখ্যান" পৰিবেশন কৰিব। পঞ্চম দিনা সন্ধ্যা বাকচু ভাটি চুবুৰী নামঘৰত যোৰহাট গুৰু শংকৰ নাট্যগোষ্ঠীয়ে "নাৰদৰ ব্ৰহ্মতত্ব লাভ, বেদৱতী উপাখ্যান" আৰু শলগুৰি শংকৰী কলাকৃষ্টি কেন্দ্ৰৰ শিল্পীসকলে "কচ দেবযানী উপাখ্যান" ভাওনা প্ৰদৰ্শন কৰিব। ২২ অক্টোবৰত এই সন্দৰ্ভত শিমলুগুৰিত অনুষ্ঠিত কৰা সংবাদমেলত সভাপতি ৰমেন দত্ত, যুটীয়া সম্পাদক কাকুল দত্ত, অংশমান মহন্তই সকলোৰে সহযোগ উপস্থিতি কামনা কৰে।

# উন্নয়নৰ নামত কেৱল ভেঁকো-ভাওনা এন আৰ এলৰ

**ই-সংবাদ, নুমলীগড়, ২২ অক্টোবৰঃ** ৮৫৫ জন শ্বহীদৰ বিনিময়ত প্ৰতিষ্ঠা হোৱা নুমলীগড় তেল শোধনাগাৰ এতিয়া নিজৰ স্বাৰ্থত। শোধনাগাৰৰ প্ৰদূষিত এলেকাত উন্নয়নৰ বাবে চকু দিবলৈ সময় নাই তেল শোধনাগাৰৰ সমাজ কল্যাণ বিভাগৰ। কাৰণ তীব্ৰ গতিত চলি আছে শোধনাগাৰৰ সম্প্ৰসাৰণৰ কাম। শোধনাগাৰটোৰ প্ৰায় দহ কিলোমিটাৰ অন্তৰ্গত চৌপাশৰ অঞ্চলসমূহৰ উন্নয়নৰ দায়িত্ব আছে শোধনাগাৰ কৰ্তৃপক্ষ। পৰিতাপৰ কথা যে শোধনাগাৰৰ সীমা পকী দেৱালৰ কাষতে লাগি থকা বিষ্ণুপুৰ গাঁওখনলৈ উন্নয়ন নামত গুণগত মানৰ কাম কৰা নাই শোধনাগাৰে। ৰাস্তাৰ দুৰ্গতিৰ বাবে স্কুল-কলেজলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। আনহাতে, বিষ্ণুপুৰ গাঁৱৰ মাজেৰে তেল ভৰ্তি টেংকাৰ অহা-যোৱা কৰাৰ বাবে চাইকেল চলাই যাবলৈও ভয় কৰে হাইস্কুলত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলে। ইফালে টেংকাৰ, ডাম্পাৰৰ চকাৰ দ্বাৰা সৃষ্টি হোৱা ৰাস্তাৰ কাষত দ' দ' গাঁতসমূহ কথা পৃথকে নক'লেও সকলোৱে বুজি পায়। ষ্টিট লাইটৰ অৱস্থাও তথৈবছ। বিশুদ্ধ খোৱা পানীৰ নামত আন এখন নাটক চলাই আছে শোধনাগাৰ



কৰ্তৃপক্ষই। পানী কেতিয়া উপলব্ধ হ'ব তাৰ কোনো নিৰ্ধাৰিত সময় নিৰ্ধাৰণ কৰিব পৰা নাই শোধনাগাৰ কৰ্তৃপক্ষই। মুঠতে সমস্যাৰে জৰ্জৰিত এই দাঁতি-কাষৰীয়া গাঁও। আনহাতে, বিষ্ণুপুৰ, তেলগৰম আদি গাঁৱৰ নিবনুৱা সমস্যা, আজিও সমস্যা হৈয়ে আছে।

# ওদালগুৰিত শিশু সুৰক্ষা বিষয়ত খণ্ড পৰ্যায়ত প্ৰশিক্ষণ

**ই-সংবাদ, ডিমাকুছি, ২২অক্টোবৰঃ** শিশুসকলক সুৰক্ষা প্ৰদান কৰাৰ মহান লক্ষ্য, উদেশ্য আগত ৰাখি ওদালগুৰি জিলাৰ শিশু সুৰক্ষা সমিতিৰ উদ্যোগত আৰু চাইল্ড হেল্পলাইন, জিলা আইনী সেৱা প্ৰাধিকৰণৰ সহযোগত লগতে ৰাজ্যিক শিশু সুৰক্ষা সমিতিৰ পৃষ্ঠপোষকতাত আজি ওদালগুৰি খণ্ড উন্নয়ন কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত কৰা হয় এখন খণ্ড পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী। খণ্ড উন্নয়ন বিষয়া চানচুমা বসুমতাৰীয়ে শুভ উদ্বোধন কৰা সভাত ওদালগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত জীৱিকা সখী, পশু সখী, বেংক মিত্ৰ, বি ডি এছ পি, গাঁৱৰ মুৰব্বী, চৰকাৰী কৰ্মচাৰীসকলকলৈ বাল্য বিবাহ, পকছ' আইন, অপ্ৰতিষ্ঠানিক যত্ন, দত্তক গ্ৰহণ সেৱাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। শিশু সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে অনুষ্ঠানত বিভিন্ন বিভাগৰ কৰ্মীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অপ্ৰতিষ্ঠানিক সুৰক্ষা বিষয়া বুদ্ধ বসুমতাৰীয়ে জিলাখনৰ প্ৰতিটো শিশুৰ বাবে একেলগে এক সুৰক্ষিত আৰু অধিক সুৰক্ষামূলক পৰিৱেশৰ দিশত কাম কৰি থকা বুলি ব্যক্ত কৰে। অনুষ্ঠানত স্বপ্না দৈমাৰীয়ে বাল্য বিবাহ, পকছ' আইন, শিশু শ্ৰমিক, ৰেবেন বসুমতাৰীয়ে শিশু কল্যাণ সমিতিৰ দায়িত্ব আৰু কৰ্তব্য, বেলিনা দৈমাৰীয়ে ১০৯৮ সেৱাৰ ওপৰত ৰাখ্যা দাঙি ধৰে। অনুষ্ঠানটিৰ আঁত ধৰে শিশুৰ হেল্পলাইন তত্বাৱধায়ক অনচুলা মোছাহাৰীয়ে। অনুষ্ঠানত জিলাৰ শিশু সুৰক্ষা সমিতি, চাইল্ড হেল্প লাইন, জিলা আইন সেৱা প্ৰাধিকৰণ, ফেৰেংগাদাও এনজিঅৰ পৰিচালক হেমন্ত কুমাৰ বৰুৱা, দত্তক গ্ৰহণ কেন্দ্ৰৰ কেচওৱৰ্কাৰ বক্তিম দৈমাৰী, সমাজ কৰ্মী অজয় কুমাৰ বড়া, ইছমাইল দৈমাৰী আদি বিশিষ্ট অতিথিসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় চাইল্ড হেল্প লাইনৰ পৰামৰ্শদাতা হিমাক্ষী ৰাভাই।



এত্ৰাৰ টাইম ডিজিটেলৰ পৰা বঁটা গ্ৰহণ কৰিছে জ্যেষ্ঠ সাংবাদিক ফৰিজ উদ্দিন আহমেদে

## গোলাঘাটৰ লগতে সমগ্ৰ অসমৰ সংবাদজগতত শোকৰ ছাঁ, শেষকৃত্য সম্পন্ন

# বিশিষ্ট সাংবাদিক, শিশু সাহিত্যিক বিকাশ শৰ্মাৰ দেহাৱসান

**ই-সংবাদ, গোলাঘাট, ২২ অক্টোবৰঃ** গোলাঘাটৰ সাহসী, নিৰভীক, নিৰপেক্ষ সাংবাদিক তথা শিশু সাহিত্যিক বিকাশ শৰ্মাই গোলাঘাটৰ সকলো স্তৰৰে লোকক কন্দুৱাই আজি পুৱা পাঁচ বাজি ত্ৰিশ মিনিটত নিজা বাসগৃহত ইহলীলা সম্বৰণ কৰে। সহজ সৰল গুণৰ আধিকাৰী বিকাশ শৰ্মা দীঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল যদিও জীৱনৰ অন্তিম দিনলৈকে লিখা মেলা কৰি ৫৮ বছৰ বয়সত ভায্যা, পুত্ৰ, কন্যাক এৰি থৈ আজি অনন্ত ধামলৈ গতি কৰে। আজি বিশিষ্ট সাংবাদিকগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গোলাঘাটৰ বিভিন্ন দল-সংগঠন, বিশিষ্ট ব্যক্তিৰ লগতে গুণমুগ্ধই ভিৰ কৰে। তেওঁৰ নশ্বৰদেহ গোলাঘাট জিলা সাংবাদিক সন্থাৰ উদ্যোগত জিলা কাৰ্যালয়ত ৰাজহুৱা সম্বধনা জনায় বিভিন্ন দল-সংগঠনে। গোলাঘাট প্ৰেছক্লাব, আবকু, জানেলিষ্ট ফ'ৰাম, দেৰগাঁও, বোকাখাত, সৰুপথাৰ, খুমটাইৰ সাংবাদিক সন্থা, আছু, যুৱছাত্ৰ পৰিষদ, চেম্বাচ অৱ কৰ্মাচ, শিক্ষা সাংস্কৃতিক বিকাশ মঞ্চ, এন আৰ এল আদি সংগঠনে শ্ৰদ্ধাঞ্জলি অৰ্পণৰ পিছত নিজ বাসগৃহত তেওঁৰ শেষকৃত্য সম্পন্ন কৰে।



# সোণাৰিত বাটৰ নাট প্ৰদৰ্শন

**ই-সংবাদ, সোণাৰি, ২২ অক্টোবৰঃ** পহিলা অক্টোবৰৰ পৰা ৩১ তাৰিখলৈ মাহজোৰা বিভিন্ন কাৰ্যসূচীৰে উদযাপন হৈ থকা 'বিশ্ব মানসিক স্বাস্থ্য মাহ' উপলক্ষে চৰাইদেউ জিলা চিকিৎসালয়ৰ মানসিক ৰোগ বিভাগ আৰু চৰাইদেউ জিলা স্বাস্থ্য সমিতিৰ সহযোগত আজি পুৱা সোণাৰি নগৰৰ দৈনিক বজাৰৰ সমীপত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। 'সুস্থ মানসিক স্বাস্থ্যৰ বাবে নিচাযুক্ত দ্ৰব্য বৰ্জন, মানসিক স্বাস্থ্যৰ গুৰুত্ব আৰু প্ৰয়োজন অনুসৰি চিকিৎসকৰ পৰামৰ্শ'ক মূল বিষয়বস্তু হিচাপে লৈ সোণাৰিৰ মুখা নাট্যগোষ্ঠীয়ে বাটৰ নাটখন ৰূপায়ণ কৰে। উল্লেখ্য যে শাৰিৰীক স্বাস্থ্যৰ লগতে মানসিক স্বাস্থ্যৰ যতনৰ প্ৰয়োজনীয়তা, মানসিক স্বাস্থ্যৰ সমস্যাবোৰৰ বিষয়ে সজাগতা বৃদ্ধি কৰা উদ্দেশ্যৰেই বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰে বিশ্ব মানসিক স্বাস্থ্য মাহ পালন কৰা হৈছে। আজি কাৰ্যসূচীৰ শেষত উপস্থিত ৰাইজৰ মাজত মানসিক স্বাস্থ্য সম্পৰ্কীয় প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হয়। আনহাতে, চৰাইদেউ জিলা চিকিৎসালয়ত যিকোনো মানসিক স্বাস্থ্যৰ পৰামৰ্শ আৰু চিকিৎসাৰ বাবে ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য কাৰ্যক্ৰমৰ বিভাগীয় বিষয়ববীয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব বুলিও অৱগত কৰা হয়। ইয়াৰ উপৰি যিকোনো মানসিক পৰামৰ্শৰ বাবে ১৪৪১৬ বিনামূলীয়া নম্বৰত ফোন কৰি পৰামৰ্শ ল'ব পৰাৰ কথাও জনোৱা হয়। আজিৰ বাটৰ নাটৰ কাৰ্যসূচীত চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভূপেন্দ্ৰ কুমাৰ দাস, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ চৰাইদেউ জিলা প্ৰকল্প পৰিচালক অভিজিৎ শৰ্মা, জিলা মিডিয়া বিশেষজ্ঞ দীপজ্যোতি দত্ত, জিলা কমিউনিটী মবিলাইজাৰ ৰফিক আহমেদ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# মৰিগাঁৱত মথাউৰিয়ে শ শ কৃষকলৈ আনিছে নতুন প্ৰত্যাশা

**ই-সংবাদ, লাহৰীঘাট, ২২ অক্টোবৰঃ** বান বিধ্বস্ত মৰিগাঁও জিলাৰ ভগ্ন মথাউৰিসমূহৰ বাবেই দীৰ্ঘদিনৰ পৰা জিলাখনৰ উত্তৰ পশ্চিমাঞ্চলৰ কৃষকসকলে শালি ধানৰ খেতি কৰিবলৈ একপ্ৰকাৰ বাদ দিয়াৰ দৰেই হৈছিল। কিয়নো জিলাখনৰ উত্তৰ পশ্চিমাঞ্চলৰ ভূৰাগাঁও, লাহৰীঘাট আৰু মায়ং ৰাজহ চক্ৰৰ বিস্তীৰ্ণ এলেকাত বছৰটোতে ৮-৯ টাকৈ সৰু বৰ বানপানীয়ে বিধ্বস্ত কৰিছিল শালি ধানৰ খেতিসমূহ। উল্লেখ্য যে অঞ্চলটোৰ কৃষকসকলে তিনি চাৰি বাৰকৈ শালি ধানৰ কঠীয়া পাৰি ৰোপণ কৰাৰ পাছতো এমুঠি ধান ছপাবলৈ সক্ষম হোৱা নাছিল। বিশেষকৈ ভূৰাগাঁও দীঘলিআটি অঞ্চল আৰু মায়ং অঞ্চলৰ উন্মুক্ত মাথাউৰিৰে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী প্ৰৱেশ কৰি জিলাখনৰ উত্তৰ পশ্চিমাঞ্চলত কৃষিজীৱি ৰাইজৰ বিস্তৰ ক্ষতি সাধন কৰিছিল। শালি ধানৰ শ শ বিঘা খেতি কৰিও কৃষক সকলে বাৰে বাৰে ক্ষতিৰ সন্মুখীন হোৱাৰ বাবে অঞ্চলটোৰ কৃষকসকলে বানপানীৰ সমস্যাৰ বাবেই যোৱা ১০-১২ বছৰৰ পৰা শালি ধানৰ খেতি কৰিবলৈ প্ৰায় এৰি দিছিল। শালি ধানৰ খেতি বাদ দি বিকল্প কৃষি হিছাপে কৃষকসকলে বৰোধান, মাকৈ, সৰিয়হ আদি খেতিত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছিল। যাৰ ফলত কাতি বিহুৰ সময়ত উদং পথাৰত চাকি বন্তি পৰ্যন্ত নজ্বলিছিল। লুপ্তপ্ৰায় হৈছিল কাতি বিহুত পথাৰত চাকি দিয়াৰ পৰম্পৰা। কিন্তু ২০২২ চনত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ দৃঢ় পদক্ষেপত মৰিগাঁও জিলা জলসম্পদ বিভাগে নাবাৰ্ডৰ প্ৰায় ৬০ কোটি টকাৰ পুঁজিৰে মায়ং ৰাজহ চক্ৰ আৰু ভূৰাগাঁও ৰাজহ চক্ৰক সামৰি এটি ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ বৃহৎ মাথাউৰি নিৰ্মাণ সম্পূৰ্ণ কৰে। এই মাথাউৰিটো নিৰ্মাণৰ পাছত কেবাটাও গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান, চৰকাৰী অনুষ্ঠান আৰু মাথাউৰিটোৰ সিটো পাৰে নদীৰ দিশত পৰা লোকসকল ক্ষতিগ্ৰস্ত হয় যদিও ইয়াৰ পৰিৱৰ্তে দুয়োটা ৰাজহ চক্ৰৰ বৃহৎ এলেকাৰ আৰু বিস্তীৰ্ণ খেতি পথাৰ প্ৰতি বছৰে হোৱা প্ৰলয়ংকৰী বানপানীৰ পৰা ৰক্ষা পৰে। ফলত এই পথাৰসমূহত এইবাৰৰ সৈতে দুবছৰ ধৰি হাজাৰ হাজাৰ কৃষকে কৰিছে উন্নত মানৰ শালি ধানৰ খেতি। সম্প্ৰতি দুই এখন শালি ধানৰ পথাৰত অচিন পোক আদিয়ে আক্ৰমণ কৰি কিছু ক্ষতি কৰিছে যদিও জিলাখনৰ উত্তৰ পশ্চিমাঞ্চলত সৰহ সংখ্যক কৃষকৰ মুখত শালি ধানৰ খেতিয়ে হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। বিশেষকৈ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত গেৰুৱা, জামাদাৰী, বৰালিমাৰী, গোঁসাইবড়ী, বানমুৰী, ৰজাবড়ী, জাপৰি, তাপতলা, চেংমৰা, ধনতোলা, বৰবড়ী, ৰৌমাৰী, ডোংগাৰপাৰা আদি পথাৰৰ লগতে মায়ং ৰাজহ চক্ৰ আৰু লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন পথাৰত ঠোক ধৰা হাজাৰ হাজাৰ বিঘা শালি ধানৰ খেতিয়ে জিলাখনৰ কৃষি অৰ্থনীতিত এইবাৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

# আসন্ন পঞ্চায়ত নিৰ্বাচনক লৈ এ আই ইউ ডি এফ দলৰ সমষ্টি কমিটী গঠন

**ই-সংবাদ, কলগাছিয়া, ২২ অক্টোবৰঃ** আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বতাহ বৈ থকা সময়তে বৰপেটা জিলাৰ বিভিন্ন বজাৰত, গাঁৱে-ভূঁৱে জনসমাজত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ কথা চৰ্চা হোৱা পৰিলক্ষিত হৈছে। সেই উদ্দেশ্যে আগত ৰাখি বৰপেটা জিলাৰ ৰূপসী শিক্ষা খণ্ডৰ অন্তৰ্গত এ এইচ এম ছাইন্স একাডেমীত বামুণটাৰীত এ আই ইউ ডি এফ দলৰ সমষ্টি কমিটী গঠনাৰ্থে মন্দিয়া সমষ্টিৰ কনভেনৰ খন্দকাৰ জাকিৰ হুছেইনৰ সঞ্চালনাত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত মুঠ ৫২ জনীয়া এখন ব্লক কমিটী গঠন কৰা হয়। খন্দকাৰ জাকিৰ হুছেইন কলগাছিয়া ব্লক কমিটীৰ সভাপতি হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। সভাত জনীয়া আৰু চেঙা সমষ্টিৰ বিধায়কদ্বয় ক্ৰমে ড০ হাফিজ ৰফিকুল ইছলাম আৰু আশ্ৰাফুল হুছেইনৰ উপৰি বৰপেটা জিলা কমিটীৰ সভাপতি জুজাৰ খাঁন, প্ৰশাসনিক সম্পাদক খন্দকাৰ আশ্ৰাফুল মামুন আৰু সম্পাদক আলিফ খানৰ উপৰি এ আই ইউ ডি এফ দলৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া আৰু দলৰ পাঁচ শতাধিক কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে, ৮৩ নং সোণাপুৰ ৰুভী গাঁও পঞ্চায়ত আৰু ৮২ নং জনতা গাঁও পঞ্চায়তৰ মুঠ ৫০ জন যুৱক উক্ত সভাত এ আই ইউ ডি এফ দলত যোগদান কৰে বুলি জানিব পৰা গৈছে।

### আইলক্ষী আঞ্চলিক আত্মানন্দ দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ত

# ৰাইদঙীয়াত অভিনন্দন আৰু বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২২ অক্টোবৰঃ** নগাঁও জিলাৰ ৰাইদঙীয়াৰ নসত্ৰত অৱস্থিত আইলক্ষী আঞ্চলিক আত্মানন্দ দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ত মঙলবাৰে অভিনন্দন আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিদ্যালয়খনৰ পৰা বিগত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষাৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানটিত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ নাথে। প্ৰধান শিক্ষক সোণটি কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বিশিষ্ট সমাজকৰ্মী লাচিত বৰদলৈ, অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ কুমাৰ বৰা, বেথাৰাম বৰা, পৱিত্ৰ কুমাৰ শইকীয়া, শিক্ষক বুধেন চন্দ্ৰ বৰা, প্ৰমোদ চন্দ্ৰ বৰা, প্ৰেমানন্দ শইকীয়া, ৰোহিত শৰ্মাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়ৰ পৰা ২০২৪ বৰ্ষৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা হৰ্ষিতা কলিতাক মিহিৰাম কলিতা সোঁৱৰণী বঁটা, বীণা ৰাজখোৱা সোঁৱৰণী বঁটা, গোলাপ চন্দ্ৰ বৰা সোঁৱৰণী বঁটা আৰু হলিৰাম নাথ সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। এই বঁটাসমূহত গামোচা, মানপত্ৰ, নগদ ধন আৰু কিতাপ প্ৰদান কৰা হয়। তদুপৰি ষ্টাৰ নম্বৰ লাভ কৰা যোড়শী গোঁহাইকো শিক্ষক সোণটি কলিতা, ৰোহিত শৰ্মা, ভদ্ৰকান্ত হীৰাই নগদ ধন আৰু গ্ৰন্থৰে সম্বৰ্ধনা জনায়। সমাজকৰ্মী গোবিন্দ হাজৰিকা, গা-খজুৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মৃদুল বৰদলৈ, শচীন্দ্ৰ বৰা, ৰাতুল বৰা, মৃণালিনী বৰা, ববিতা বৰা, জ্যোতিস্মান বৰাকে আদি কৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, অতিথিসহ পাঁচ শতাধিক লোক উপস্থিত থকা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শিক্ষক বিপুল বৰাই।

# ৰঙিয়াৰ চনমাগুৰিত মমতুল আলীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ, ৰঙিয়া, ২২ অক্টোবৰঃ** ৰঙিয়াৰ চনমাগুৰিস্থিত উচ্চতৰ মাধ্যমিক বাণী বিদ্যাপীঠৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাপক প্ৰয়াত মমতুল আলীৰ স্মৃতিত অহা ২৬ অক্টোবৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উচ্চতৰ মাধ্যমিক বাণী বিদ্যাপীঠৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত তথা বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ সহযোগত আয়োজন কৰা উক্ত কাৰ্যসূচীৰ অংশ হিচাপে বিদ্যালয়খন প্ৰতিষ্ঠাত অৰিহণা আৰু জীৱনজোৰা ত্যাগ আগবঢ়োৱা মহীৰুহসকলৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰা হ'ব। তদুপলক্ষে খাইৰুল হকক সভাপতি, ধৰ্মেশ্বৰ দাসক কাৰ্যকৰী সভাপতি, আহমেদ আনিছ উজ জামানক সম্পাদক হিচাপে লৈ গঠিত পৰিচালনা সমিতি গঠন কৰা হৈছে। আয়োজন কৰা কাৰ্যসূচী অনুসৰি পুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শ্ৰদ্ধা নিবেদন কৰিব অন্যতম প্ৰতিষ্ঠাপক সহকৰ্মী জগদীশ চন্দ্ৰ শৰ্মাই বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপকসকলৰ সোঁৱৰণত স্মৃতি তৰ্পণ কৰিব প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু গুণমুগ্ধ ৰাইজে। ইয়াৰ পিছতে সৰ্বধৰ্ম প্ৰাৰ্থনা আৰু জিকিৰ, দিহানাম, থিয়নাম পৰিৱেশন কৰা হ'ব। দিনৰ ভাগত স্মৃতিগ্ৰন্থ উন্মোচনী আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হ'ব। সভাত স্মৃতিগ্ৰন্থ উন্মোচক ৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নৰেন পাটগিৰি আৰু মুখ্য অতিথিৰূপে উপস্থিত থাকিব অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক বিষয়া থানেশ্বৰ মালাকৰ।

# বঙালকটা ঘুলিৰ সৰবৰহী যুৱক দীপক দাসৰ মৃত্যু

**ই-সংবাদ, গুৱালকুছি, ২২ অক্টোবৰঃ** কামৰূপ জিলাৰ বংশৰ গন্ধমৌ বঙালকটা ঘুলিৰ সৰবৰহী যুৱক দীপক দাস(৪৯) ৰ আজি উত্তৰ গুৱাহাটীৰ জিএনআৰচি চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ প্ৰতিষ্ঠাপক সদস্য তথা বৰ্তমানৰ কেন্দ্ৰীয় কাৰ্যালয় কাৰ্যাধিকৰ্তাগৰাকী যোৱা ২০ অক্টোবৰত উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ সংকটজনক অৱস্থাত চিকিৎসাধীন হ'ব লগা হৈছিল। বৃত্তিগতভাৱে গাড়ীচালক দীপক দাস গন্ধমৌ কালী পূজা সমিতি, নীৰিতেশ্বৰ মহাদেউ (বঠী গোঁসাই) পীঠ উন্নয়ন সমিতি আদি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শতাধিক লোক বঙালকটা ঘুলিস্থিত নিজ বাসগৃহত উপস্থিত হৈ মৃতকৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে। মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ উত্তৰ কামৰূপ জিলা সমিতিৰ সংঘাধিকাৰ ৰাজেন মজুমদাৰৰ নেতৃত্বত এটি দ'ল উপস্থিত হৈ সংঘৰ তৰফৰ পৰা দীপক দাসৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। এক বিবৃতিত সংঘৰ কেন্দ্ৰীয় ভাৰপ্ৰাপ্ত সংঘাধিকাৰ ৰাজেন্দ্ৰজিৎ মজুমদাৰ আৰু সংঘাধিকৰ্তা ঋতুৰাজ গোস্বামীয়ে সংঘৰ নিষ্ঠাৱান সেৱকগৰাকীৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াল বৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

## সপ্তম মাজুলীৰ জিলা প্ৰশাসন, ৰাস মঞ্চৰ বিষয়ববীয়াসকলৰে বৈঠক

# ১৫ নৱেম্বৰৰ পৰা মাজুলীত প্ৰায় তিনি কুৰি মঞ্চ, সত্ৰত শ্ৰীকৃষ্ণৰ ৰাস লীলা

**ই-সংবাদ, মাজুলী, ২২ অক্টোবৰঃ** মাজুলীৰ প্ৰায় তিনিকুৰিৰো অধিক মঞ্চ আৰু সত্ৰ অনুষ্ঠানত লক্ষ্মী পূৰ্ণিমা দিনৰ পৰা নাট মেলা পৰ্বৰে আৰম্ভ হোৱা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা আখৰৰ পূৰ্ণ গতিত চলিছে। এমাহ জোৰা আখৰৰ অন্তত পৰৱৰ্তী পূৰ্ণিমাত অৰ্থাৎ ১৫ নৱেম্বৰৰ পৰা তিনি,চাৰি দিনীয়াকৈ অনুষ্ঠিত হ'ব মাজুলীৰ ৰাস মহোৎসৱ। মাজুলীবাসীয়ে সকলো দুখ, ভাগৰ একাষৰীয়া কৰি মাজুলীবাসী প্ৰাণৰ উৎসৱ শ্ৰী শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ ভাগি সুকলমে অনুষ্ঠিত কৰাৰ বাবে দেহে কেহে লাগিছে। নিশালৈকে ৰাসৰ আখৰাত তিনিকুৰি অধিক মঞ্চত অভিনয় কৰিব লগীয়া শিল্পীসকল ব্যস্ত হোৱাৰ লগতে মঞ্চসমূহ সজাই পৰাই তুলিছে। অঘাসুৰ, বকাসুৰ মুখা সমূহতো তুলিকাৰে ৰং সানি নতুনত্ব ৰূপ দিয়াৰ বাবে ব্যস্ত হৈ পৰিছে শিল্পীসকল। মাজুলীৰ যেনিয়েই যায় তেনিয়েই ৰাসৰ গীত ভাহি আহে। ৰাসময় হৈ পৰিছে মাজুলী।মাজুলীৰ ৰাস অনুষ্ঠান সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসনে আজি ৰাস মঞ্চৰ বিষয়ববীয়াসকলৰ লগত বিভিন্ন পৰ্যালোচনা বাবে এক আলোচনাত মিলিত লয়। মাজুলী জিলা আয়ুক্তৰ আহ্বানত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনত আৰক্ষী অধীক্ষক বিবেকানন্দ দাস জিলা প্ৰশাসনৰ অন্যান্য বিভাগসমূহৰ মুৰব্বী বিষয়া বৰ্গ মাজুলীৰ সকলোবোৰ দল-সংগঠনৰ বিষয়ববীয়া, সচেতন ৰাইজৰ উপস্থিতিত জিলা আয়ুক্ত ৰাতুল পাঠকে শান্তিপূৰ্ণভাৱে ৰাসমহোৎসৱ ভাগি সম্পন্ন হোৱাৰ ক্ষেত্ৰত ৰাইজৰ সঁহাৰিৰ আহ্বান জনায়। জিলা উপ-আয়ুক্ত ভৰত কোঁৱৰে বিগত দিনৰ ৰাসমহোৎসৱৰ অভিজ্ঞতাৰ ওপৰত যাতায়াত-যোগাযোগৰ পৰা শান্তিৰক্ষা সমগ্ৰ বিষয় সামৰি কিছু নিৰ্দেশনা পাঠ কৰে। ইয়াৰ ওপৰত ভিত্তি কৰি স্বচ্ছতা, দৰ্শনাৰ্থীক প্ৰয়োজনীয় সুবিধা প্ৰদান, মানদণ্ড বিশিষ্ট ৰাস পৰিবেশন, সুৰাৰ নিসিদ্ধকৰণ, বাইকচালক আৰোহীৰ হেলমেট পৰিধান আদি বিষয়ত বিস্তাৰিতভাৱে আলোচনা হয়। মাজুলীত সুৰাৰ বিপণী নাই যদিও চোৰাংভাৱে মদৰ প্ৰচলন ৰোধ কৰাৰ ওপৰত হোৱা বিস্তাৰিত আলোচনাত নিৰীহ লোকক হাৰাশাস্তি নকৰি শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে। সমগ্ৰ পৰ্যালোচনাত শান্তিৰক্ষাৰ ক্ষেত্ৰত সুৰা নিবাৰণ আৰু দুচকীয়া মটৰ চাইকেলৰ চালক আৰোহীৰ হেলমেট বাধ্যতামূলক কৰাৰ ওপৰত গুৰুত্ব দিয়ে। এই আলোচনাত আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সবিস্তাৰে বিবৰণ দাঙি ধৰি প্ৰতিটো ৰাস মঞ্চই কিছু ব্যৱস্থা অৱলম্বন কৰাৰ ওপৰত পৰামৰ্শ দিয়ে। মাজুলীৰ বিধায়ক ভুৱন গাম সভাত উপস্থিত থাকি আধ্যাত্মিকতা বিজড়িত ৰাসলীলা সুন্দৰকৈ পৰিবেশন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। উক্ত আলোচনাৰ মুহূৰ্তত মাজুলী ভ্ৰমণলৈ অহা কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত হৈ মাজুলীৰ ৰাসলীলাত দৰ্শকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে পৰ্যটকসকলক আকৰ্ষিত কৰিব পৰা কিছুমান ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰাৰ পৰামৰ্শ আগবঢ়ায়। সভাখনিত মাজুলীৰ বিধায়ক ভুৱন গাম, মাজুলী বিজেপিৰ সভাপতি বিৰেণ শইকীয়া, সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, কিশোৰীমোহন পাল, প্ৰভাত বৰা বুঢ়াভকত, জিতেন ডেকা, জগত হাজৰিকা পবিত্ৰ গোস্বামী, আৰক্ষী অধীক্ষক বিবেকানন্দ দাস প্ৰমুখ্যে ব্যক্তিসকলে বিভিন্ন দিশ সামৰি পৰামৰ্শ আগবঢ়ায়। সভাখনিত বৰ্তমান বন্ধহৈ পৰা কমলাবাৰী নিমাতি পাৰঘাটেৰে ফেৰি চলাচলৰ সুচল ব্যৱস্থা কৰিবলৈ আয়ুক্ত পাঠকৰ দৃষ্টি আকৰ্ষণ কৰে। উক্ত প্ৰসংগত আয়ুক্তগৰাকীয়ে আজিকালিৰ ভিতৰত ব্ৰহ্মপুত্ৰত খনন কাৰ্য কৰিব বুলি আশ্বাস প্ৰদান কৰে। মাজুলীৰ ৰাস উদযাপন কমিটীৰসমূহৰ বিষয়ববীয়াৰ উপস্থিতিৰ সভাখনিত জনসাধাৰণৰ সহায়ৰ আবিহনে ৰাসমহোৎসৱ ভাগি সম্পন্ন হৈ নুঠিব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। মাজুলীৰ ৰাস, পালনাম এই দুইটা উৎসৱত মাজুলীলৈ হাজাৰ হাজাৰ লোকৰ সমাগম হয়। মাজুলীৰ অফলামুখ ঘটলৈ যোৱা আৰু ঔডুবী দক্ষিণপাট সত্ৰ সংযোগী পথ মেৰামতি কৰিবলৈ জিলা প্ৰশাসনৰ উদ্যোগত হোৱা ৰাজহুৱা সভাত বহু কেইজনে দৃষ্টিআকৰ্ষণ কৰে। ৰাস মহোৎসৱ ভাগি সুকলমে অনুষ্ঠিত কৰাৰ বাবে মাজুলীবাসী সাজু হৈ উঠিছে।


# বৰপেটাত দুৰ্যোগ ব্যৱস্থাপনাৰ পদক্ষেপৰ অগ্ৰগতিৰ পৰ্যালোচনা

**ই-সংবাদ, বৰপেটা, ২২ অক্টোবৰঃ** আজি বৰপেটাৰ জিলা আয়ুক্তৰ সন্মিলন হলত জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ আৰম্ভণিতে ৰাজ্যিক দুৰ্যোগ প্ৰতিৰোধ পুঁজি (এছডিআৰএফ) আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (এছডিএমএফ)ৰ অধীনত প্ৰস্তাৱসমূহত অনুমোদন জনোৱাৰ লগতে বিভিন্ন দুৰ্যোগ ব্যৱস্থাপনা বিষয়ত আলোচনা কৰা হয়। বৈঠকত কৌস্তৱ কলিতা, এচিএছ, এডিচি আৰু ডিডিএমএ বৰপেটাৰ চিইঅ'ৰ লগতে সকলো চক্ৰ বিষয়া, বিভিন্ন লাইন বিভাগৰ মুৰব্বী আৰু বাঘবৰ, জনীয়া, বৰপেটা আৰু সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়কসকলৰ প্ৰতিনিধি উপস্থিত থাকে। বৈঠকত জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই দুৰ্যোগ প্ৰস্তুতিৰ ব্যৱস্থা ৰূপায়ণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানসমূহ সন্দৰ্ভত বিষয়াসকলে উত্থাপন কৰা উদ্বেগসমূহৰ কথা আলোচনা কৰে। জিলাখনৰ সুৰক্ষা আৰু প্ৰস্তুতি সুনিশ্চিত কৰিবলৈ অতি সোনকালে সমস্যাসমূহ সমাধান কৰাৰ লগতে বাকী থকা কামসমূহ, বিশেষকৈ দুৰ্যোগ প্ৰশমন আৰু সাহায্যৰ সৈতে জড়িত কামসমূহ সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। আয়ুক্তগৰাকীয়ে দুৰ্যোগ সঁহাৰিৰ দক্ষতা বৃদ্ধিৰ বাবে বিভাগসমূহৰ মাজত সমন্বয়ৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। শেষত দুৰ্যোগৰ সৈতে জড়িত বিপদসমূহ সম্ভাৱনাপূৰ্ণভাৱে কম কৰিব পৰা সকলো প্ৰকল্প দ্ৰুতগতিত আগুৱাই নিয়াৰ বাবে জিলা আয়ুক্তই স্পষ্ট নিৰ্দেশনা প্ৰদান কৰে।



# তিনিচুকীয়াত কেন্দ্ৰীয় ৰাজ্যিক কৃষি মন্ত্ৰী ভগীৰথ চৌধুৰী, ভিন্ন স্থান পৰিদৰ্শন





**ই-সংবাদ, ডুমডুমা, ২২ অক্টোবৰঃ** কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভগীৰথ চৌধুৰীয়ে আজি দুদিনীয়া ভ্ৰমণসূচীৰে পুৱা তিনিচুকীয়াত উপস্থিত হয়। তেওঁ প্ৰথমে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা চলায়। তেওঁ কয় যে কৃষি হৈছে দেশৰ আত্মা স্বৰূপ। কৃষি আৰু কৃষকৰ সমৃদ্ধিয়েই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ মূল লক্ষ্য। সেয়েহে, তেওঁ কৃষি উৎপাদন বৃদ্ধি আৰু কৃষকৰ আয় বৃদ্ধি কৰাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিবলৈ কৃষি বিভাগৰ বিষয়াসকলক আহ্বান জনায়। এই ক্ষেত্ৰত যিকোনো ধৰণৰ সহায়-সহযোগ আগবঢ়াবলৈ তেওঁ প্ৰস্তুত বুলিও মন্তব্য কৰে। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে সভাত স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, লোক নিৰ্মাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, হস্তাতাঁত বস্ত্ৰ শিল্প আদি বিভাগসমূহৰ কাম-কাজৰো পৰ্যালোচনা কৰে। তিনিচুকীয়াৰ দৰে এখন ঐতিহ্যমণ্ডিত ঠাইলৈ আহি তেওঁ আনন্দ অনুভৱ কৰা বুলিও মত প্ৰকাশ কৰে। সভাত চাবুৱা সমষ্টিৰ বিধায়ক পোণাকন বৰুৱা, জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গুৰনীল সিং, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁইৰ উপৰি বিভিন্ন বিভাগৰ জিলা মুৰব্বী বিষয়াসকল উপস্থিত থাকে। সভাৰ অন্তত আবেলি মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শন কৰে। ইয়াৰ পিছতে বৰহাপজানৰ প্ৰগতিশীল কৃষক ৰাহুল গুপ্তাৰ কৃষি পাম পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে অভিভূত হোৱা বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীক প্ৰগতিশীল কৃষক সুশীল শইকীয়া আৰু ধলাৰ মাণিক মৰাণ আদিয়েও সাক্ষাৎ কৰে। নিশাটো তিনিচুকীয়া আৱৰ্ত ভৱনতে কটাব মন্ত্ৰীগৰাকীয়ে। কাইলৈ পুৱা মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পাতাল পৰিদৰ্শন কৰাৰ পিছত পুৱা ১০ বজাত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত স্থানীয় বিশিষ্ট নাগৰিক, সামাজিক সংগঠনৰ নেতৃবৰ্গ, দলীয় বিষয়ববীয়া আদিৰ সৈতে এখন বৈঠকত মিলিত হ'ব মন্ত্ৰীগৰাকী। এইখন সভাৰ অন্তত তেওঁ ডিব্ৰুগড় হৈ গুৱাহাটীলৈ ৰাওনা হ'ব।

# মৰিগাঁৱত 'মাছ'ৰ ৩৪ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, মৰিগাঁও, ২২ অক্টোবৰঃ** ৰাজ্যৰ জটিল পৰিস্থিতিত মানৱ অধিকাৰ ৰক্ষাৰ বাবে জন্মগ্ৰহণ কৰা মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে অহা ২ নৱেম্বৰত ৩৫ বছৰত ভৰি দিব। মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে মৰিগাঁও জিলা সমিতিৰ সহযোগত ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিবলৈ প্ৰস্তুতি চলাইছে। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাগৃহত উদযাপন কৰিবলগীয়া প্ৰতিষ্ঠা দিৱস সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মৰিগাঁও জিলা সমিতিৰ অধ্যক্ষ মিনেশ্বৰ কোঁৱৰ আৰু সচিব মানিক নাথৰ তত্বাৱধানত প্ৰতিষ্ঠা দিৱস উদযাপনৰ বাবে দ্ৰুতগতিত প্ৰস্তুতি আৰম্ভ হৈছে। মাছৰ প্ৰচাৰ সচিব জিতুমনি নাথে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত প্ৰতিষ্ঠা দিৱস উদযাপনৰ ক্ষেত্ৰত সকলো ৰাইজৰে সহায় সহযোগিতা কামনা কৰাৰ লগতে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ সন্দৰ্ভত অৱগত কৰে। কাৰ্য্যসূচী অনুসৰি সেইদিনা পুৱা ১০ বজাত পতাকা উত্তোলনৰে কাৰ্যসূচী শুভাৰম্ভ কৰিব মাছৰ কেন্দ্ৰীয় সমিতিৰ অধ্যক্ষ আদিত্য লহকৰে। শ্বহীদ তৰ্পণৰ কাৰ্যসূচী শুভাৰম্ভ কৰিব শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদ অসমৰ সভাপতি ৰাজেন ডেকা, শ্বহীদ প্ৰদীপ শৰ্মাৰ পৰিয়ালৰ সদস্য ঘনশ্যাম শৰ্মা আৰু সমাজসেৱক ধৰণীধৰ বুঢ়াগোহাঁইয়ে। পৰাগ নিকেতন চৌহদত বৃক্ষৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰিব সমাজসেৱিকা সীমা বৰা, জীৱন জেউতি কৃষক সংঘৰ মুখ্য সমন্বয়ক তুলসী ডেকা, মাছৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সুৰেন নাথ আৰু সহায় অসমৰ সভাপতি ৰাজু মহন্তই। মাছৰ কেন্দ্ৰীয় সমিতিৰ অধ্যক্ষ আদিত্য লহকৰৰ সভাপতিত্বত দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি চেনিৰাম মালাং, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি মিৰ্জা আৰিফ আলম আৰু মৰিগাঁও আদালতৰ জ্যেষ্ঠ অধিবক্তা নেকিবুদ্দিন আহমেদ। মানৱ অধিকাৰ ৰক্ষাত নাৰী সমাজৰ ভূমিকা শীৰ্ষক আলোচনা চক্ৰ সঞ্চালনা কৰিব মাছৰ মুখ্য উপদেষ্টা বুবুমনি গোস্বামীয়ে। সাহিত্যিক মিলেশ্বৰ পাতৰে উদ্বোধন কৰিবলগীয়া আলোচনা চক্ৰত আলোচক হিচাপে অংশগ্ৰহণ কৰিব লেখিকা সমাৰোহ সমিতিৰ মৰিগাঁও শাখাৰ সভানেত্ৰী ৰীনা ডেকা, লেখিকা সংস্থাৰ মৰিগাঁও শাখাৰ সভানেত্ৰী শেৱালী শৰ্মা বৰকটকী আৰু আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সন্থাৰ সভানেত্ৰী ৰীনাৰাণী শইকীয়াই। সন্ধিয়া কেন্দ্ৰীয় সাংগঠনিক সচিব প্ৰণৱ হাজৰিকা আৰু কেন্দ্ৰীয় কাৰ্যালয়ৰ সচিব ললিতা বৰ্মনে বন্তি প্ৰজ্বলনৰে কাৰ্যসূচী সামৰণি পেলাব।

# চৰাইদেউ জিলাত পিএম কিষান আঁচনিৰ পৰিপূৰ্ণতা অভিযান

**ই-সংবাদ, সোণাৰি, ২২ অক্টোবৰঃ** চৰাইদেউ জিলাৰ কৃষকসকলৰ সুবিধাৰ্থে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ পৰিপূৰ্ণতা অভিযান আৰম্ভ কৰা হৈছে। জিলাখনৰ যিসকল কৃষকে এই আঁচনিৰ সুবিধা লাভ কৰা নাই অথবা যিসকলে এই সুবিধা লাভ কৰাত সমস্যাৰ সন্মুখীন হৈ আহিছে, সেই সমস্যাসমূহ সমাধানৰ বাবে বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে যিসকল কৃষকে অনলাইনযোগে আবেদন কৰি সংযোজন-১ ফৰ্মখন যাৱতীয় নথি পত্ৰৰ লগত জমা দিয়া নাই তেওঁলোকক এই শিবিৰত আহি অতি সোনকালে জমা দিবলৈ অনুৰোধ জনোৱা হৈছে। যদিহে নিৰ্ধাৰিত সময়ত নথি পত্ৰ জমা নিদিয়ে সেইসকল কৃষকক অযোগ্য বুলি গণ্য কৰা হ'ব। শিবিৰলৈ আহোতে কৃষকসকলে আধাৰ কাৰ্ড, বেংক পাছবুক, মাটিৰ জমাবন্দীৰ জেৰক্স কপি লগত লৈ আনিবলৈ অনুৰোধ জনাইছে। উল্লেখ্য যে, কৃষি বিভাগৰ সহযোগত নিজ নিজ গাঁও পঞ্চায়তসমূহত অহা ২৫ অক্টোবৰলৈকে হ'ব লগা পিএম কিষানৰ এই বিশেষ শিবিৰসমূহত যি সকল কৃষকে এতিয়াও মাটিৰ জমাবন্দি, ই-কেৱাইচি কৰা নাই তেওঁলোককো আহি বিভাগৰ নিজ নিজ কৃষি উন্নয়ন বিষয়া আৰু কৃষি সম্প্ৰসাৰণ সহায়কৰ হাতত জমা দিবলৈ অনুৰোধ জনোৱা হৈছে যাতে বাদ পৰি ৰোৱা কৃষকসকলেও পৰৱৰ্তী কিস্তি লাভ কৰিবলৈ সক্ষম হয়।

# শেষ পৃষ্ঠা

## পুণেৰ দ্বিতীয় টেষ্টতো নাথাকে উইলিয়ামছন

**পুণে, ২২ অক্টোবৰঃ** ভাৰত-নিউজিলেণ্ডৰ দ্বিতীয় টেষ্ট বৃহস্পতিবাৰৰ পৰা পুণে আৰম্ভ হ'ব। প্ৰথম টেষ্টৰ দৰে দ্বিতীয় টেষ্টটো দেখা নাপাব দলটোৰ প্ৰাক্তন অধিনায়ক কেন উইলিয়ামছনক। আঘাতৰ পৰা মুক্ত নোহোৱা বাবে এতিয়াও উইলিয়ামছন দেশতে আছে। উৰুসন্ধিৰ আঘাতৰ বাবে প্ৰথম টেষ্টত ভাগ ল'ব পৰা নাছিল উইলিমায়ছনে। প্ৰাক্তন অধিনায়কজনৰ অবিহনেও টেষ্ট জয়ত নিউজিলেণ্ড দলটোৰ সিমান সমস্যা নহ'ল। ব'ৰ্ডৰ তৰফৰ পৰা জনোৱামতে দ্বিতীয় টেষ্টটো উইলিয়ামছনে খেলাৰ কোনো সম্ভাৱনা নাই। উল্লেখ্য যে শ্ৰীলংকাৰ বিৰুদ্ধে টেষ্ট ছিৰিজত আঘাতপ্ৰাপ্ত হৈছিল উইলিয়ামছন। তাৰপিছতেই দেশলৈ গৈ চিকিৎসা গ্ৰহণ কৰি বিশ্ৰামত আছে খেলুৱৈগৰাকী।

## পিতৃ হ'ল ছৰফৰাজ খান



**মুম্বাই, ২২ অক্টোবৰঃ** বাংগালুৰুত অনুষ্ঠিত ভাৰত-নিউজিলেণ্ডৰ প্ৰথম টেষ্ট ক্ৰিকেটত থাউনি হেৰুওৱা ভাৰতীয় দলটোক এক দৰ্শনীয় শতকীয় ইংনিছিৰে পাৰ পোৱাবলৈ প্ৰয়াস কৰা বেটাৰ ছৰফাৰজ খানে লাভ কৰিলে পিতৃত্বৰ গৌৰৱ। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত প্ৰথমটো শতক অৰ্জন কৰাৰ ঠিক পিছতে সোমবাৰে এটি পুত্ৰ সন্তানৰ পিতৃ হয় ছৰফৰাজ। লক্ষণীয় যে, মঙলবাৰে আছিল ছৰফৰাজৰ জন্মদিনো। জানিব পৰা মতে, মুম্বাইৰ এখন হাস্পতালত এটি পুত্ৰ সন্তান জন্ম দিছে ছৰফৰাজৰ পত্নী ৰোমানা জাহুৰে। সোমবাৰে ছ'চিয়েল মিডিয়াত পুত্ৰক কোলাত লৈ এখন ফটো শ্বেয়াৰ কৰে তেওঁ। এই ফটোখনত তেওঁৰ কাষত দেখা গৈছে পিতৃ নৌছাদ খানকো। উল্লেখ্য যে, দীৰ্ঘ সময় ধৰি ঘৰুৱা ক্ৰিকেট খেলি অহাৰ পিছত চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতীয় ক্ৰিকেট দলত অভিষেক ঘটিছিল ছৰফৰাজ খানৰ। বাংগালুৰুত নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত মাত্ৰ ৪৬ ৰান কৰি অলআউট হোৱা ভাৰতীয় দলটোক দৰ্শনীয় শতকেৰে ট্ৰেকলৈ ওভতাই আনিছিল ছৰফাৰজ খানে।




বাংলাদেশৰ বিৰুদ্ধে প্ৰথম টেষ্টত কেৰিয়াৰৰ দ্বিতীয়টো টেষ্ট শতক অৰ্জনৰ পিছত দক্ষিণ আফ্ৰিকাৰ কাইল ভেৰাইন, মীৰপুৰত

### সঞ্জীৱ ওৱাৰীয়ে আজি দাখিল কৰিব মনোনয়ন

## ২৫ বছৰৰ মূৰত ছিদলীত প্ৰাৰ্থী প্ৰক্ষেপ প্ৰদেশ কংগ্ৰেছৰ

**ই-সংবাদ, চিৰাং, ২২ অক্টোবৰঃ** ৰাজ্যৰ পাঁচখনকৈ বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত অনুষ্ঠিত হ'ব উপ-নিৰ্বাচন। পাঁচটা বিধানসভা সমষ্টিৰ ভিতৰত ৩১ নং চিদলী বিধানসভাৰ সমষ্টিৰ উপ-নিৰ্বাচনে যথেষ্ট চৰ্চা লাভ কৰিছে। সমষ্টিটোৰ মূল নিৰ্বাচনী যুঁজখন শাসকীয় মিত্ৰজোঁটৰ ইউপিপিএল আৰু বিৰোধী বিপিএফ দলৰ মাজতেই সীমাবদ্ধ থাকিব বুলি চৰ্চা চলিছে। সেই চৰ্চাৰ সময়তে সুদীৰ্ঘ ২৫ বছৰৰ মূৰত সমষ্টিটোত উপ-নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে কংগ্ৰেছ দলে। চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত এইবাৰ কংগ্ৰেছৰ দলীয় টিকট লাভ কৰিছে চিৰাং জিলা কংগ্ৰেছৰ সভাপতি সঞ্জীৱ ওৱাৰীয়ে। চিদলী বিধানসভা সমষ্টিত বিশেষ সাংগঠনিক ভেটি নথকা কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীয়ে বড়োভূমিৰ ৰাজনীতিত দুই মুখ্য দল হিচাপে বিবেচিত ইউপিপিএল আৰু বিপিএফ দলৰ শক্তিশালী প্ৰাৰ্থীৰ সন্মুখত কি ইছু লৈ ভোটাৰ ৰাইজৰ মাজলৈ যাব সেই সন্দৰ্ভত ওৱাৰীয়ে কয় যে, ৩১ নং চিদলী বিধানসভা সমষ্টিবাসী ৰাইজে দীঘলীয়া সময় ধৰি ভাৰতবৰ্ষৰ আটাইতকৈ পুৰণি ৰাজনৈতিক দলৰ প্ৰাৰ্থী পোৱা নাই। বড়োলেণ্ড শায়ত্ব শাসিত পৰিষদ চমুকৈ বিএচিৰ সময়ৰ পৰাই কেবল বড়ো জাতীয়তাবাদী সংগঠনৰ প্ৰাৰ্থীক ভোটদান কৰিবলৈ বাধ্য হৈছিল, তাৰ পিছত বিটিচি শান্তি-চুক্তি আহিল। তেতিয়াও হাগ্ৰামাই মহিলাৰীৰ নেতৃত্বত বিপিএফ দলেও বড়োসকলক লৈ ৰাজনীতি কৰি গ'ল, ২০২০ চনত প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰ শান্তিচুক্তিৰ পিছত আকৌ বড়ো জনগোষ্ঠীয় ৰাজনীতিয়ে চলি আছে। তাৰ বিপৰীতে কংগ্ৰেছ দলে কেৱল এটা জনগোষ্ঠীৰ মাজতে সীমাবদ্ধ নেথাকি বিটিআৰ এলেকাত বসবাস কৰা সকলো ধৰ্মালম্বী লোকৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ জনসাধাৰণৰ উন্নয়নৰ হকে ৰাজনীতি কৰাত বিশ্বাসী। তেওঁ আৰু কয়, প্ৰাক্তন কংগ্ৰেছী নেতা লুইচ ইশ্লাৰীৰ পিছত সুদীৰ্ঘ ২৫ বছৰৰ মূৰত কংগ্ৰেছ দলে মোক এই ৩১নং চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। চিদলী সমষ্টিবাসী ৰাইজে এটা বিশেষ জনগোষ্ঠীৰ হৈ ৰাজনীতিৰ পৰা মুক্তি বিচাৰি আছিল আৰু এইবেলি চিদলী সমষ্টিবাসী ৰাইজৰ দীৰ্ঘদিন ধৰি মনত পুহি ৰখা কংগ্ৰেছ দলক ভোট দিবলৈ সক্ষম হ'ব। ৰাইজৰ আগত কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থী শক্তিশালী নহয়, শক্তিশালী হৈছে ভোটাৰ ৰাইজ। ভোটাৰ ৰাইজে যাক ভাল পাই ভোটদান কৰিব তেওঁহে শক্তিশালী হ'ব বুলি তাৎপৰ্য্যপূৰ্ণ মন্তব্য কৰে কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে। চিদলী সমষ্টিত এইবেলিৰ উপ-নিৰ্বাচনত তেখেতে ৫০ হেজাৰ ভোটৰ ব্যৱধানত বিজয়ী হ'ব বুলি দাবী কৰে। চিদলী সমষ্টিৰ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীয়ে কাইলৈ ২৩ অক্টোবৰ তাৰিখে কাজলগাঁৱত মনোনয়ন পত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, সম্পাদক জাকিৰ হুছেইন শিকদাৰৰ লগতে কেইবাজনো ৰাজ্যিক পৰ্য্যায়ৰ নেতৃবৰ্গ আৰু সহস্ৰাধিক সমৰ্থকক লৈ মনোনয়ন পত্ৰ দাখিল কৰিব বুলি সদৰি কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)